সংবাদ সেৱাৰে,দেশৰ সেৱাত ২৯ বছৰৰ এক অবিৰত যাত্ৰা...
Govt. of Assam Approved
Postal Redg. No. GH- 098/ 2015 - 17
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

২৯ বছৰ, ৪ সংখ্যা, ১৩ মাঘ, ৰবিবাৰ, ১৪৩০ ভাস্কৰাব্দ, পঞ্জীয়ন নং - ৫৩৮৮৩ /১৯৯৪
RNI No. 53883/94. GHY--781025. Vol. 29: Issue No.4 Date Of Publication - 28 January 2024 Rs.10.00/-

## অসমত ১১খন আসনত অকলে যুঁজিব কংগ্ৰেছে



ৰঙিলী বাৰ্ত্তাসেৱা- কংগ্ৰেছে আগন্তুক লোকসভা নিৰ্বাচনত বিৰোধী ঐক্যমঞ্চৰ অংশীদাৰ দলক তিনিখন আসন এৰি দি ৰৰখন আসনত অকলেই যুঁজাৰ সিদ্ধান্ত লৈছে। কংগ্ৰেছে ইতিমধ্যে অনানুষ্ঠানিকভাৱে ৰাজ্যখনৰ ১৪খন আসনৰ ভিতৰত ১১ খনতে নিজাববীয়াকৈ যুঁজাৰ বাবে প্ৰাৰ্থীও একপ্ৰকাৰ চূড়ান্ত কৰিছে। কংগ্ৰেছৰ এক সূত্ৰই জানিবলৈ দিয়া মতে, অংশীদাৰ দল আপ, অজাপ আৰু তৃণমূল কংগ্ৰেছক এখনকৈ আসন এৰি দিব। সেই অনুসৰি গুৱাহাটীৰ আসনখন আপৰ ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰী, ডিব্ৰুগড়ৰ আসনখন অজাপৰ সভাপতি লুৰিণজ্যোতি গগৈ আৰু শিলচৰৰ আসনখন তৃণমূল কংগ্ৰেছক এৰি দিব। ইয়াৰ বিপৰীতে আন ১১খন আসনৰ ভিতৰত ১০খনৰে প্ৰাৰ্থী ইতিমধ্যে কংগ্ৰেছে চূড়ান্ত কৰিছে। বহুচৰ্চিত নগাঁও সমষ্টিত এইবাৰ কংগ্ৰেছৰ প্ৰাৰ্থী হ'ব গৌৰৱ গগৈ। সমষ্টিটোৰ বৰ্তমানৰ সাংসদ প্ৰদ্যুৎ বৰদলৈক এইবাৰ পঠিওৱা হ'ব বৰপেটালৈ। সেইদৰে নগাঁও লোকসভাৰ অন্যতম প্ৰাৰ্থিত্বৰ দাবীদাৰ ৰকিবুল হুছেইন হ'ব ধুবুৰীৰ প্ৰাৰ্থী। আনহাতে গৌৰৱ গগৈ, প্ৰদ্যুৎ বৰদলৈ আৰু ৰকিবুল হুছেইনৰ ৰাজনৈতিক যুঁজত বলিৰ পঠা হোৱাৰ উপক্ৰম হৈছে বৰপেটাৰ বৰ্তমানৰ সাংসদ আব্দুল খালেক। আব্দুল খালেকে ধুবুৰী অথবা বৰপেটাৰ প্ৰাৰ্থিত্বৰ দাবীদাৰ আছিল। কিন্তু গগৈ, বৰদলৈ আৰু হুছেইনৰ ৰাজনৈতিক যুঁজত কংগ্ৰেছে যুগুতোৱা সম্ভাব্য প্ৰাৰ্থিত্বৰ তালিকাত কোনো এটা সমষ্টিতেই সন্নিবিষ্ট হোৱা নাই খালেকৰ নাম। সেইদৰে যোৰহাটত দেৱব্ৰত শইকীয়া, বৰপেটাত প্ৰদ্যুৎ বৰদলৈ, দৰং-ওদালগুৰিত মাধব ৰাজবংশী, কোকৰাঝাৰত প্ৰবীণ বড়ো, কাজিৰঙাত ৰ'জলিনা তিৰ্কি, লখিমপুৰত ন-কংগ্ৰেছী উদয় শংকৰ হাজৰিকা, কৰিমগঞ্জত ন-কংগ্ৰেছী হাফিজ ৰছিদ আহমেদ আৰু জুবেৰ আনম, ডিফুত জয়ৰাম ইংলেঙৰ নাম সন্নিবিষ্ট হৈছে। আনহাতে শোণিতপুৰৰ আসনখনক লৈ কংগ্ৰেছ, আপ আৰু তৃণমূল কংগ্ৰেছৰ মাজত টনা-আঁজোৰা চলি থকাৰ বাবে এতিয়াও প্ৰাৰ্থী চূড়ান্ত হোৱা নাই। কংগ্ৰেছৰ পবন সিং ঘাটোৱাৰ সবল প্ৰাৰ্থিত্বৰ দাবীদাৰ হোৱাৰ বিপৰীতে একে সময়তে তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাৰ নাম সঘনে উচ্চাৰণ হৈ আছে। অনুৰূপ ধৰণে আপ দলটোও শোণিতপুৰৰ আসনখনৰ বাবে শক্তিশালী দাবীদাৰ। ইয়াৰ বিপৰীতে চিপিআই (এম), চিপিআই আদি দলক এখনো আসন এৰি দিয়া হোৱা নাই। ইফালে কংগ্ৰেছৰ এই প্ৰাৰ্থী তালিকাখনক লৈ প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই কয় যে অহা ২৯ জানুৱাৰীত প্ৰদেশ কংগ্ৰেছৰ নিৰ্বাচন কমিটীয়ে লোকসভা নিৰ্বাচনৰ বাবে প্ৰাৰ্থী তালিকা যুগুতাই স্ক্ৰিনিং কমিটীলৈ প্ৰেৰণ কৰিব। সমষ্টি ভিত্তিত প্ৰচাৰ মাধ্যমত সদৰী হোৱা প্ৰাৰ্থী তালিকাখন একেষাৰে অস্বীকাৰ কৰাৰ পৰা বিৰত থাকি সভাপতি বৰাই কয় যে যোৰহাটত দেৱব্ৰত

(দহ পৃষ্ঠাত চাওক)

সম্পাদকীয় শিতান....

## অভিমান বনাম অপমান

**দেৱাশীষ গোস্বামী, নগাঁও**

মানুহ সামাজিক প্ৰাণী, এখন সামজ অবিহনে আমাৰ দৈনন্দিন জীৱন- যাপন প্ৰায় অসম্ভৱ । বিভিন্ন জাতি, ধৰ্ম, ভাষাৰ সমিল মিলেৰে আমাৰ একো একোখন সমাজ গঠিত। আজিৰ যান্ত্ৰিকতাৰ যুগত সঁচা আবেগ অনুভূতি বিচাৰি পোৱাৰ একমাত্ৰ স্থল আমি প্ৰতিনিধিত্ব কৰা আমাৰ সমাজখন। ঠাই ভেদে সমাজ ব্যৱস্থা সমূহৰ আদব কায়দা, নিয়ম কানুন সমূহ কিছু ভিন্ন ভিন্ন যদিও সেই বিশেষ সমাজখনৰ সকলোকে একতাৰ দোলেৰে বান্ধি ৰখা মৰমৰ এনাজৰী ডাল কিন্তু একেই। সমাজত বসবাস কৰা প্ৰত্যেকজন ব্যক্তিৰ ইজনৰ আনজনৰ প্ৰতি থকা অন্তৰৰ টানেই এখন সুস্থ সবল সমাজৰ মূল চালিকা শক্তি ।

বিভিন্ন সময়ত অন্তৰৰ টানবোৰে অভিমানৰ ৰূপ লয় । আমাৰ জীৱনত এই অভিমানবোৰে বলিষ্ঠ ভূমিকা পালন কৰে মৰমৰ এনাজৰীডাল টনকীয়াল কৰি ৰখাত । আমাৰ মাজৰ অভিমানবোৰ সীমা উলংঘন নকৰালৈকে বাৰু ঠিক ঠাক কিন্তু যেতিয়াই সীমাৰ পৰিধি ভাঙি অভিমানবোৰ অপমানলৈ পৰ্য্যবসিত হ'বলৈ আৰম্ভ কৰে, আমাৰ মাজৰ মৰমাৰ এনাজৰীডাল টুকুৰা টুকুৰাকৈ চিঙে আৰু সম্বন্ধ বোৰ 'অম্বুজা ' চিমেণ্টও ধৰি ৰাখিব নোৱাৰে ।

আজি কালি সম্বন্ধ বোৰ তেনেই ঠুনুকা । দুদিনীয়া জীৱনটোত ঠুনুকা সম্বন্ধবোৰ ধৰি ৰাখিবলৈ হ'লে আমিবোৰে আমাৰ অভিমানবোৰ একাষৰীয়া কৰি খুব সন্তৰ্পনে জীৱনৰ বাটত আগুৱাই যাব লাগিব । আমি সদা সচেতন হ'ব লাগিব যাতে আমাৰ অভিমানবোৰে কেতিয়াও যেন অপমানৰ ৰূপ নলয় । অন্যথা হিতে বিপৰীত।

## বিজেপিলৈ প্ৰাক্তন মন্ত্ৰী বিস্মিতা গগৈ আৰু যুৱ নেত্ৰী অংকিতা দত্ত





ৰঙিলী বাৰ্ত্তাসেৱা- লোকসভা নিৰ্বাচনৰ পূৰ্বে অসম প্ৰদেশ কংগ্ৰেছত পুনৰ জোকাৰণি। কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ অসমত ভাৰত জোড়ো-ন্যায় যাত্ৰাৰ পিছতেই বিৰোধী দলটোত মোক্ষম আঘাত হানি বিজেপিত যোগদান কৰিব প্ৰাক্তন মন্ত্ৰী বিস্মিতা গগৈ আৰু যুৱ নেত্ৰী অংকিতা দত্তই। সেয়াই নহয়, শাসকীয় দলটোত যোগদানৰ বাবে সাজু হৈছে কেইবাজনো প্ৰাক্তন ছাত্ৰ নেতা। উল্লেখ্য যে লোকসভা নিৰ্বাচনক লৈ বিৰোধী ঐক্যমঞ্চই চলাই থকা প্ৰস্তুতিৰ সমান্তৰালকৈ ৰাহুল গান্ধীৰ ন্যায় যাত্ৰাই কংগ্ৰেছী সকলক ঐক্যবদ্ধ কৰাব বুলি প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই মন্তব্য কৰি অহাৰ সময়তে দলটোৰ ভেটি কঁপাই ৰাজ্যিক বিজেপিত আনুষ্ঠানিকভাৱে যোগদান কৰিব খুমটাই বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়িকা তথা প্ৰাক্তন মন্ত্ৰী

(দহ পৃষ্ঠাত চাওক)

আপোনালোকৰ লিখনী/মতামত আৰু তথা সমাজৰ উন্নতিৰ হকে থকা চিন্তাবোৰ আমালৈ প্ৰেৰণ কৰিব পাৰে। আপোনাৰ লিখনী/মতামত সমূহ অফলাইন তথা অনলাইন মাধ্যম যোগে প্ৰকাশ কৰা হ'ব। লিখনি সমূহ WhatsApp - 9854215286
Email - rongilibartamedhi@gmail.com যোগে পঠাব পাৰে।
Do follow us on Facebook, Twitter and Instagram as - rongilibarta

# চন্দ্ৰপুৰৰ কুৰকুৰীয়াত আই আই টি গুৱাহাটীৰ উদ্যোগত হেল্প এইড একাডেমিত বিজ্ঞান মনস্ক অনুষ্ঠান



ৰঙিলী বাৰ্ত্তাসেৱা- আই আই টি গুৱাহাটীৰ চেনণ্ট্ৰাৰ ফ'ৰ ইণ্ডিয়ান ন'লেজ চিষ্টেমৰ তৰফৰ পৰা "পণ্ডিত হেমচন্দ্ৰ মিছন ফোৰ পপুলাইজেচন অৱ চাইন্স এচামিজ কালচাৰ অভিযান"ৰ অংশ হিচাপে মহানগৰীৰ চন্দ্ৰপুৰ উন্নয়ন খণ্ডৰ অধীনৰ কুৰকুৰীয়াস্থিত হেল্প এইড ফাউণ্ডেশ্যনৰ অধীনস্থ "হেল্প এইড একাডেমি"ত আই আই টিৰ মিছন প্ৰকল্প বিষয়া ড° ফালাড্ৰাম শৰ্মা, সুকন্যা শৰ্মা, ৰূপম নন্দি আৰু উদয় শ্বাহা উপস্থিত হৈ বৈজ্ঞানিক সা- সঁজুলিৰ সৰল বিৱৰণ, বিজ্ঞানৰ সৰু- সৰু প্ৰকল্পসমূহৰ বিষয়ে সাৱলীল ৰূপত দাঙি ধৰাৰ লগতে ইয়াৰ ব্যৱহাৰৰ উপযোগিতা সম্পৰ্কে মতামত ব্যক্ত কৰে। আই আই টিৰ অভিজ্ঞ বিশেষজ্ঞ দলটিয়ে পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ লগতে ৰাজ্যখনৰ খ্যাতনামা মনীষীসকলৰ বিজ্ঞান মনস্কতা, সমাজ-দৰ্শন সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰে। ভিন-ভিন খেল-ধেমালী, কলা-কৌশল অনুষ্ঠান প্ৰদৰ্শন কৰি ইয়াৰ জড়িয়তে শিকিবলগা, জানিব লগা বিষয় উপস্থাপন কৰে। এই অভিযানৰ মুখ্য অনুসন্ধান বিষয়া আই আই টি গুৱাহাটীৰ অধ্যাপক উদয় দিক্ষিত, সুকন্যা শৰ্মা আৰু ললিত মোহন পাণ্ডে। পণ্ডিত হেমচন্দ্ৰ মিছন ফোৰ পপুলাইজেচন অৱ চাইন্স এচামিজ কালচাৰ অভিযানটোত সম্পূৰ্ণ সহযোগিতা আগবঢ়াই পণ্ডিত হেমচন্দ্ৰ গোস্বামী ফাউণ্ডেশ্যন আৰু ডাঃ নৱ গোস্বামী ফাউণ্ডেশ্যনৰ ন্যাসৰক্ষী ডাঃ নৱ গোস্বামীয়ে । " হেল্প এইড একাডেমি" নামৰ শিক্ষানুষ্ঠানখনত অনগ্ৰসৰ, দুখীয়া ছাত্ৰ-ছাত্ৰীসকলক বিয়লী উপযুক্ত শিক্ষাদানৰ বিকল্প বিদ্যালয় হিচাপে সেৱা আগবঢ়াই আহিছে । মহানগৰীৰ অধীনৰ গাঁওখনিক উন্নত মানৰ শৈক্ষিক, মানসিক, বৌদ্ধিক দিশত গঢ় দিয়াৰ উদ্দেশ্যে হেল্প এইড ফাউণ্ডেশ্যনে অহৰহ প্ৰদক্ষেপ লৈ থকা বুলি ফাউণ্ডেশ্যনৰ অধ্যক্ষ তথা গুৱাহাটী উচ্চন্যায়ালয়ৰ অধিবক্তা অঞ্জুলিনা দেৱ চৌধুৰীয়ে আই আই টি, গুৱাহাটীৰ দলটোক অৱগত কৰে। মহানগৰীৰ গাঁও কুৰকুৰীয়াক শ্যামলীমা, সৰ্বদিশতে সৱলীকৰণ, উদ্যোগ ৰূপত গঢ়ি তুলিব বুলি আশাবাদী স্বেচ্ছাসেৱী অনুষ্ঠাটিৰ অধ্যক্ষগৰাকী । উল্লেখযোগ্য যে-কুৰকুৰীয়া অঞ্চলটো দুবছৰ আগলৈ শিক্ষাৰ হাৰ ৪০ শতাংশ আছিল যদিও এবছৰৰ ভিতৰত ১০০ শতাংশ কৰাৰ বাবে পৰিকল্পনা কৰিছে বুলি জনায় ।

# নাজিৰা মহকুমা প্ৰশাসনৰ উদ্যোগত ৭৫ সংখ্যক গণৰাজ্য দিৱস উদ্‌যাপন



ৰঙিলী বাৰ্ত্তাসেৱা- সমগ্ৰ দেশৰ লগতে আজি নাজিৰা মহকুমাতো দেশৰ ৭৫ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হয়। নাজিৰা মহকুমা প্ৰশাসনৰ উদ্যোগত নাজিৰা জিলা ক্ৰীড়া সন্থাৰ খেলপথাৰত আয়োজিত গণৰাজ্য দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰি নাজিৰা মহকুমাৰ মহকুমাধিপতি আয়ুষী জৈনে আনুষ্ঠানিকভাৱে ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। পতাকা উত্তোলনৰ পূৰ্বে মহকুমাধিপতি গৰাকীয়ে বীৰ শ্বহীদ সকলক স্মৰণ কৰি নাজিৰা গান্ধী ময়দানত অনুষ্ঠিত শ্বহীদ তৰ্পণ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় পতাকা উত্তোলনৰ পিছত কুচ-কাৱাজত অংশগ্ৰহণ কৰা আৰক্ষী আৰু অৰ্ধ সামৰিক বাহিনীৰ অভিবাদন গ্ৰহণ কৰে। এই কুচ - কাৱাজ কাৰ্যসূচীত নাজিৰা মহকুমাৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ- ছাত্ৰী সকলে অংশগ্ৰহণ কৰে। নাজিৰা মহকুমা আৰক্ষী বিষয়া তপন চন্দ্ৰ কলিতাৰ উপস্থিতিত মুখ্য অতিথি ৰূপে প্ৰদান কৰা ভাষণত মহকুমাধিপতি গৰাকীয়ে দেশৰ বীৰ শ্বহীদ, মুক্তি-যুঁজাৰু সকলৰ চৰম ত্যাগ আৰু আত্মবলিদানৰ বিষয়ে শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে দেশৰ সীমান্ত আৰু আভ্যন্তৰীণ সুৰক্ষাত নিয়োজিত নিৰাপত্তা বাহিনী সমূহৰ সাহস আৰু পৰাক্ৰমৰ কথা কৃতজ্ঞতাৰে স্মৰণ কৰে। নিজ ভাষণত তেওঁ কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰে মহকুমাতোৰ সৰ্বোত্তম উন্নতিৰ লক্ষ্যৰে গ্ৰহণ কৰা জনকল্যানকামী আঁচনি সমূহৰ বিষয়ে উল্লেখ কৰি এই সমূহৰ

*(দহ পৃষ্ঠাত চাওক)*

# শ্বহীদ ন্যাসত ড° যুগল বৰাৰ 'কেনেকৈ শিকিম আৰু শিকাম' উন্মোচন

ৰঙিলী বাৰ্ত্তাসেৱা- শিক্ষাই পোহৰৰ বাট মুকলি কৰি জ্ঞান অন্বেষণৰ নতুন পথ সূচনা কৰে। এই মন্তব্য এক গ্ৰন্থ উন্মোচনী সভাত ব্যক্ত কৰে কটন বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য ড° ভৱেশ চন্দ্ৰ গোস্বামীয়ে। আগশাৰীৰ প্ৰকাশন প্ৰজ্ঞা মিডিয়াহাইপে প্ৰকাশ কৰি উলিওৱা ড° যুগল বৰাৰ "কেনেকৈ শিকিম আৰু শিকাম" শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰি ড° গোস্বামীয়ে এনেদৰে কয়। নিজৰ উন্মোচনী ভাষণত তেওঁ কয় যে ড° যুগল বৰাৰ গ্ৰন্থখন নিশ্চিত ভাৱে এখন বিজ্ঞান সন্মত গ্ৰন্থ। বিজ্ঞানৰ ক্ৰমবৰ্ধমান যুগত ছাত্ৰ-ছাত্ৰীক বিজ্ঞান ভিত্তিক শিক্ষা দানত এই ধৰণৰ গ্ৰন্থই উপকাৰ সাধন কৰিব বুলিও তেওঁ মন্তব্য আগবঢ়ায়। অনুষ্ঠানত উপস্থিত থাকি আন এগৰাকী উন্মোচক তথা কেম্ব্ৰিজ ইন্টাৰনেশ্বনেল স্কুলৰ ডিন অব ষ্টাডীজ ড° পুলক



ভট্টাচাৰ্যই কয় যে শিক্ষা গ্ৰহণ আৰু শিক্ষা প্ৰদানৰ প্ৰক্ৰিয়া সঠিক আৰু শুদ্ধ হলেহে শিক্ষাৰ সঠিক ধাৰণাত উপনীত হোৱা সম্ভৱ। ইপিনে প্ৰজ্ঞা মিডিয়া হাইপৰ স্বতাধিকাৰ উজ্জ্বল বৰাৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা গ্ৰন্থ উন্মোচনী সভাত উপস্থিত থাকি জেইট উইঙ্‌ছ বিজনেছ স্কুলৰ অধ্যক্ষ মাম্পী বৰাই লেখকৰ এনে পদক্ষেপক আদৰণি জনোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ লগতে শিক্ষক সমাজো উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে। কেইবাগৰাকীও সাহিত্য অনুৰাগীৰ উপস্থিতিৰে আয়োজিত এই গ্ৰন্থ উন্মোচনী সভাত লেখকৰ মনৰ ভাৱ প্ৰকাশ কৰি ড° যুগল বৰাই গ্ৰন্থখনৰ সৃষ্টিৰ আৰৰ কাহিনী ব্যক্ত কৰাৰ লগতে গ্ৰন্থখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰী সকল কিছু পৰিমানে হ'লেও লাভাৱান্বিত হ'ব বুলি আশা প্ৰকাশ কৰে।

# আৰ্যভট্ট বিজ্ঞান চৰ্চা কেন্দ্ৰৰ বছেৰেকীয়া কাৰ্যকলাপ সম্পন্ন

ৰঙিলী বাৰ্ত্তাসেৱা- আৰ্যভট্ট বিজ্ঞান চৰ্চা কেন্দ্ৰৰ সৌজন্যত, চৰাইদেউ জিলা লাকুৱা খণ্ডৰ বিদ্যালয় সমূহৰ মাজত বছেৰেকীয়া বিজ্ঞান ভিত্তিক কাৰ্যকলাপ প্ৰতিযোগিতা ২৪ জানুৱাৰীত চলা উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। লাকুৱা খণ্ডৰ অন্তৰ্গত চৰাইদেউ এণ্ডেৰা, টেঙাপুখুৰী, মথুৰাপুৰ অঞ্চলৰ লগতে লাকুৱা অঞ্চলৰ বহু কেইখন বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীৰ অংশগ্ৰহণেৰে বিজ্ঞান আৰ্হি নিৰ্মাণ, পষ্টাৰ নিৰ্মাণ আৰু বিজ্ঞান বিষয়ক আকস্মিক বক্তৃতা প্ৰতিযোগিতা অনুষ্ঠিত হৈ যায়। আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰৰ তত্বাৱধায়ক তথা শিক্ষক মনোজ ফুকনৰ তত্বাৱধানত আয়োজিত অনুষ্ঠানৰ আঁত ধৰে শিক্ষক পিঅ'চেঙ চাওলুয়ে । উক্ত অনুষ্ঠানত উপস্থিত থাকে গড়গাঁও মহাবিদ্যালয়ৰ অধ্যাপিকা ড° কবিতা ফুকন, দ'ল বাগান উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ললিত গগৈ, মথুৰাপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বিজ্ঞান শিক্ষক আদিত্য বৰঠাকুৰ, এণ্ডেৰা মধ্য অসমীয়া বিদ্যালয়ৰ শিক্ষক ওম প্ৰকাশ দত্ত, শিক্ষয়িত্ৰী ৰমিজা ৰহমান আৰু শিক্ষক সঞ্জীৱ বাইলঙ। বিজ্ঞান আৰ্হি নিৰ্মাণ প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে লাকুৱা ম'ডেল ইংলিছ স্কুলে, দ্বিতীয় স্থান লাভ কৰে চলা উচ্চ মাধ্যমিক বিদ্যালয়ে আৰু তৃতীয় স্থান লাভ কৰে মথুৰাপুৰ ছোৱালী উচ্চ মাধ্যমিক বিদ্যালয়ে। উল্লেখ্য যে প্ৰথম আৰু দ্বিতীয় স্থান প্ৰাপ্ত দুটা দল জিলা পৰ্যায়লৈ নিৰ্বাচিত কৰা হৈছে। বিজ্ঞান বিষয়ক পষ্টাৰ নিৰ্মাণ প্ৰতিযোগিতাত যথাক্ৰমে পিঞ্জু শ্যামে প্ৰথম স্থান, অনন্যা বৰগোহাঁইয়ে দ্বিতীয় স্থান আৰু লীজা কোঁৱৰে তৃতীয় স্থান লাভ কৰে। আনহাতে বিজ্ঞান বিষয়ক আকস্মিক বক্তৃতা প্ৰতিযোগিতাত অবিনাশ কোঁৱৰে প্ৰথম স্থান, সুমন বচাই দ্বিতীয় স্থান আৰু পল্লবী নেওগে তৃতীয় স্থান পাবলৈ সক্ষম হয় । অনুষ্ঠানৰ শেষত বিজয়ী সকলক বঁটা বিতৰণ কৰা হয়। এটা গাম্ভীৰ্য্যপূৰ্ণ অনুষ্ঠান সুকলমে পৰিচালনা কৰাত সহযোগিতা আগবঢ়াই চলা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সমূহ শিক্ষক- শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰী সকলে । অনুষ্ঠানত আমন্ত্ৰিত অতিথিসকল উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বঢ়োৱা লগতে বক্তৃতা আগবঢ়াই । এনে অনুষ্ঠানে ছাত্ৰ ছাত্ৰীৰ বিজ্ঞান মনষ্কতাত উত্তৰণ ঘটাব বুলি নিসন্দেহে ক'ব পাৰি। অসমৰ জাতীয় সংগীতেৰে অনুষ্ঠানৰ সামৰণি মৰা হয় ।

# গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ বৈঠক



ৰঙিলী বাৰ্তাসেৱা- গণেশপাৰা আঞ্চলিক সাহিত্য সমাজৰ মাহিলী বৈঠকখন গণেশপাৰাৰ নিবাসী নগেন্দ্ৰ প্ৰসাদ শৰ্মাৰ বাসগৃহত অনুষ্ঠিত হয়। গৃহস্থ সদস্যা জ্যোতিৰ্ময়ী দেৱীয়ে শ্লোকেৰে শুভাৰম্ভ কৰা সভাত সঞ্চালনা কৰে সমাজৰ সভাপতি শিৱ প্ৰসাদ ভট্টাচাৰ্যই। গৃহস্থ সদস্য নগেন্দ্ৰ প্ৰসাদ শৰ্মাই আদৰণি ভাষণ দিয়া সভাত সাংবাদিক যদু কাকতি, গীতিকাৰ, সুৰকাৰ ভূপেন উজীৰৰ প্ৰতি শ্ৰদ্ধাই জনাই এক মিনিট মৌন প্ৰাৰ্থনা জনোৱা হয়। সম্পাদক ৰঞ্জন বড়োয়ে পৰৱৰ্তী বৈঠকৰ কাৰ্যবিৱৰণী পাঠ কৰা সভাত লিখনি পাঠৰ অনুষ্ঠান অনুষ্ঠিত হয়। সভাত প্ৰিয়াংকী ভূঞা, প্ৰিন্সী বৰা, কাব্যঞ্জলী বৰা, মুৰী পাটৰ, আৰ্হি দাস, ইন্দ্ৰানী চৌধুৰী, ধৰ্মকান্ত দাস, পশুপতি দেৱ গোস্বামী, কৌশিক কলিতা, শিৱানী মহন্ত, কল্পনা দাস বৰ্মন, উৰ্বি শৰ্মা, গকুল বৰুৱাই কবিতা, মনোজ নাথ, সবিতা গোস্বামী, দীপাঞ্জলী দত্তই প্ৰবন্ধ, তনুশ্ৰী বসাক, নিৰদা দেৱী, বিভূজ্যোতি কলিতাই গল্প, তন্ময় শৰ্মাই সাধু, উৰ্বি শৰ্মাই প্ৰাৰ্থনা, কৌস্তভ দাস, বিতু, কৌশিক, শুক্লেশ্বৰ কলিতাই গীত পৰিৱেশন কৰি উপস্থিত আটাইকে আমোদ দিয়ে। সভাত ময়ুৰী কাশ্যপে নৃত্য প্ৰদৰ্শন কৰে। সভাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ড° মুকুল চক্ৰৱৰ্তীয়ে শুভেচ্ছামূলক ভাষণ প্ৰদান কৰে।

# ৰাহুল গান্ধীৰে গহপুৰত বিৰোধী দলৰ গুৰুত্বপূৰ্ণ বৈঠক



ৰঙিলী বাৰ্তাসেৱা- ৰাহুল গান্ধীৰ সৈতে বিৰোধী ঐক্য মঞ্চৰ এখন গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। অসম-অৰুণাচল সীমান্তৰ সোলেঙি এলেকাৰ ৰাজগড়ত ডেৰ ঘণ্টা ধৰি এই বৈঠক অনুষ্ঠিত হয়। বৈঠকত ৰাহুল গান্ধীয়ে ১৫টা বিৰোধী দলৰ প্ৰতিগৰাকী মুৰব্বী নেতাৰ মন্তব্য গুৰুত্ব সহকাৰে শুনে। ৰাহুল গান্ধীয়ে প্ৰতিটো দলৰ নেতাৰ মন্তব্য শুনাৰ অন্তত অসম তথা দেশত বিজেপিৰ বিৰুদ্ধে ৰাইজক জাগ্ৰত কৰিবলৈ সকলোকে একত্ৰিতভাবে কাম কৰিবলৈ আহ্বান জনায়। কংগ্ৰেছৰ ভূপেন কুমাৰ বৰা, আপৰ ভৱেন চোধুৰী, অসম জাতীয় পৰিষদৰ লুৰীণজ্যোতি গগৈ, ৰাইজৰ দলৰ অখিল গগৈ, চিপিআই দলৰ হৈ পিংকুমণি দত্ত, কনক গগৈ, চিপিআইএম দলৰ হৈ বিধায়ক মনোৰঞ্জন তালুকদাৰ, আৰ-জেডিৰ স্বৰ্ণ হাজৰিকা, শিৱসেনাৰ উদ্ধৱ গোটৰ নেতা ৰাম নাৰায়ণ সিং, এপিএইছএলচিৰ জন ইংতি কাথাৰ, অসম জাতীয় দলৰ দিগন্ত কোঁৱৰে নিজৰ দলৰ হৈ মন্তব্য প্ৰদান কৰে। এই বৈঠকত আটাইকেইটা দলৰ সৈতে সমন্বয় কেনেকৈ বৃদ্ধি কৰিব পাৰি সেই সম্পৰ্কে আলোচনা কৰে। লোকসভা নিৰ্বাচনলৈ দুটা মাহ বাকী থকা অৱস্থাত বিৰোধী দলৰ স্থিতি কেনেকৈ শক্তিশালী কৰিব পৰা যায়, দলকেইটাক কেনেদৰে ৰাইজৰ মাজলৈ নিব পৰা যায় তাকে লৈ আলোচনা কৰা হয়। বিজেপিৰ বিৰুদ্ধে শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰিব পৰা যায় তাৰ বাবে সিদ্ধান্ত ল'বলৈ আটাইকেইটা দলৰ নেতৃত্বক আহ্বান জনায়। কংগ্ৰেছ দলে লোকসভা নিৰ্বাচনক লৈ প্ৰকাশ কৰিবলগীয়া ইস্তাহাৰত অসমৰ বিৰোধী ঐক্য মঞ্চৰ দাবী সন্নিৱিষ্ট কৰিব বুলিও কথা দিয়ে ৰাহুল গান্ধী। অসমৰ বিৰোধী ঐক্য মঞ্চৰ সভাপতি ভূপেন কুমাৰ বৰাক এই ক্ষেত্ৰত দায়িত্ব প্ৰদান কৰে। বৈঠকত অখিল গগৈয়ে অসমৰ গ্ৰাম্য এলেকাৰ সমস্যাসমূহক আঙুলিয়াই দি মহিলাকসকলক কেনেদৰে বিজেপিয়ে হিতাধিকাৰী কৰি ভোট ক্ৰয়ৰ মেচিনত পৰিণত কৰিছে তাকো ৰাহুল গান্ধীক অৱগত কৰে। এই ৰাজনৈতিক বৈঠকত দেশৰ বিশিষ্ট সমাজকৰ্মী যোগেন্দ্ৰ যাদৱো উপস্থিত থাকে। ৰাজ্যখনত চলি থকা ভ্ৰষ্টাচাৰ আৰু দুৰ্নীতিৰ বিৰুদ্ধে আটাইকেইটা বিৰোধী দল একেলগে সৰৱ হ'বলৈকো এই বৈঠকত সিদ্ধান্ত গ্ৰহণ কৰা হয়। বিশেষকৈ মুখ্যমন্ত্ৰী আৰু তেওঁৰ পত্নীৰ অনিয়ম আৰু দুৰ্নীতি লুকুৱাই ৰাখিবলৈ চৰকাৰী যন্ত্ৰক ব্যৱহাৰ কৰাৰ যি কৌশল সেয়াও ৰাইজৰ ওচৰলৈ লৈ যাবলৈকো বিৰোধী দলসমূহে সিদ্ধান্ত গ্ৰহণ কৰে।

# ভূপেন বৰাক আক্ৰমণৰ ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা অসম তৃণমূল কংগ্ৰেছৰ



ৰঙিলী বাৰ্তাসেৱা- ৰাহুল গান্ধীৰ “ভাৰত জড়ো ন্যায় যাত্ৰা” ত অংশগ্ৰহণ কৰাৰ সময়তেই অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাক বিজেপিৰ গুণ্ডাবাহিনীয়ে আক্ৰমণ কৰা কাৰ্য্যক তীব্ৰ ভাষাৰে গৰিহণা দিছে অসম তৃণমূল কংগ্ৰেছ দলে। সমগ্ৰ ঘটনাৰ সন্দৰ্ভত নিজৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি অসম তৃণমূল কংগ্ৰেছৰ সভাপতি ৰিপুণ বৰাই কয় যে, “বিগত সময়ত অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই “ভাৰত জড়ো ন্যায় যাত্ৰা” ৰ বাবে ভীতিগ্ৰস্ত হৈ যিধৰণৰ প্ৰৰোচনামূলক মন্তব্য আগবঢ়াই আহিছিল তাৰেই ফলস্বৰূপে আজি এই ঘটনা সংঘটিত হ'ল। এনে ধৰণৰ নিন্দনীয় কাৰ্যই বিজেপিৰ অগণতান্ত্ৰিক, ভয়াতুৰ আৰু স্বেৰাচাৰী চৰিত্ৰক পুনৰ উদঙাই দিলে। এয়া মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন মগজুত থকা ভয়ৰ বহিঃ প্ৰকাশ। ভাৰতৰ দৰে এখন গনতান্ত্ৰিক দেশত ৰাজনৈতিক শোভাযাত্ৰাৰ সময়তেই বিৰোধী দলৰ সভাপতি যদি শাসক পক্ষৰ ভেৰোনীয়া গুণ্ডাবাহিনীৰ আক্ৰমণৰ সন্মুখীন হ'বলগীয়া হয় তেন্তে দেশৰ নৈতিক শাসন ব্যৱস্থাৰ উপৰতেই বৃহৎ প্ৰশ্নবোধক। এতিয়ালৈকে উক্ত ঘটনাৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ কোনোধৰণৰ হস্তক্ষেপ বা মন্তব্য নাই, কিয়? কিয় পুলিচ প্ৰশাসন থাকিও সেই স্থানতেই দোষীক কৰায়ত্ব কৰিব নোৱাৰিলে? এয়া চৰম অনৈতিকতা আৰু অপশাসনৰ উদাহৰণ। অসমৰ মুখ্যমন্ত্ৰীয়ে সমগ্ৰ ঘটনাৰ সন্দৰ্ভত যি নিৰৱ (দহ পৃষ্ঠাত চাওক)

# ডিব্ৰুগড়ৰ বিশিষ্ট সাংবাদিক সঞ্জীৱ নন্দীৰ দেহাৱসান

ৰঙিলী বাৰ্তাসেৱা- ডিব্ৰুগড়ৰ এগৰাকী জ্যেষ্ঠ সাংবাদিক সঞ্জীৱ নন্দী আৰু নাই। বিগত ১২ দিন ধৰি ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰস্পেচিয়েলিটি হস্পিতালত চিকিৎসাধীন হৈ থকাৰ পিচত ২২/১/২৪ৰ পুৱা ৫৯ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে জ্যেষ্ঠ সাংবাদিক সঞ্জীৱ নন্দীয়ে। গুৱাহাটীৰ পৰা প্ৰকাশিত ‘দৈনিক যুগশংখ’ কাকতৰ ডিব্ৰুগড়ৰ ষ্টাফ ৰিপ'ৰ্টাৰ হিচাপে কৰ্মৰত সঞ্জীৱ নন্দীৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে ডিব্ৰুগড়ৰ সংবাদ জগতত গভীৰ শোকৰ ছাঁ পৰে। যোৱা ৮ জানুৱাৰীত পুৱা ব্ৰেইন ষ্ট্ৰোকত আক্ৰান্ত হোৱা সঞ্জীৱ নন্দীক পৰিয়ালৰ লোকে লগে লগে অসম চিকিৎসা মহাবিদ্যালয়ত ভৰ্তি কৰোৱা হয়। ১৮ জানুৱাৰীত চিকিৎসকে সফলতাৰে সম্পন্ন কৰিছিল নন্দীৰ মগজুৰ অস্ত্ৰোপচাৰ। কিন্তু ইমানৰ পিছতো সংকটমুক্ত হোৱা নাছিল নন্দীৰ চিকিৎসা চলাই থকাৰ মাজতে জ্যেষ্ঠ সাংবাদিকজনে মৃত্যুক আকোৱালি লয়। ইফালে সঞ্জীৱ নন্দীৰ নশ্বৰদেহ ডিব্ৰুগড়ৰ ইণ্ডিয়া ক্লাৱলৈ অনা হয়। ইণ্ডিয়া ক্লাৱৰ বিষয়ববীয়াৰ লগতে বিভিন্ন দল-সংগঠনে শেষ শ্ৰদ্ধাঞ্জলী জনায়। ইয়াৰ পিছতে ‘দৈনিক যুগশংখ’ কাকতৰ কাৰ্যালয়লৈ অনা হয় তেওঁৰ নশ্বৰদেহ। ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, পৌৰপতি ডাঃ চৈকত পাত্ৰ, ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ সভাপতি প্ৰবীৰ কুমাৰ চক্ৰৱৰ্তী, সম্পাদক অনিল কুমাৰ পোদ্দাৰ, বৃহত্তৰ ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ সভাপতি মনজিত বৰা, সাধাৰণ সম্পাদক ৰাতুল গোহাঁই, জ্যেষ্ঠ সাংবাদিক ৰাজীৱ বৰগোহাঞি, চিপিআই (এম)ৰ যুৱ নেতা প্ৰণৱ শইকীয়া, খোজ অসম, আদিৰ লগতে বিভিন্ন দল-সংগঠন তথা সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানে শেষ শ্ৰদ্ধাঞ্জলী জনোৱা হয়। উল্লেখযোগ্য যে, ১৯৬৫ চনৰ ২০ জানুৱাৰীত ডিব্ৰুগড়ত জন্মগ্ৰহণ কৰা নন্দীয়ে ডিব্ৰুগড়ৰ বঙালী হাইস্কুলত অধ্যয়ন কৰি কানৈ বাণিজ্য মহাবিদ্যালয়ৰ পৰা বাণিজ্য শাখাত স্নাতক ডিগ্ৰী গ্ৰহণ কৰিছিল। বাংলা দৈনিক সংবাদ পত্ৰ ‘সময় প্ৰভা’ৰ জৰিয়তে সাংবাদিকতা জীৱন আৰম্ভ কৰা সঞ্জীৱ নন্দী ডিব্ৰুগড় প্ৰেছ ক্লাৱৰ কোষাধ্যক্ষ, ডিব্ৰুগড় সাংবাদিক হুঁচৰি দলৰ



কোষাধ্যক্ষ, ইণ্ডিয়া ক্লাৱকে ধৰি বিভিন্ন সামাজিক অনুষ্ঠানসমূহৰ সৈতে সক্ৰিয়ভাৱে জড়িত হৈ আছিল। মৃত্যুৰ সময়ত নন্দীয়ে তিনি ভগ্নীৰ লগতে বহু আত্মীয়ক এৰি থৈ গৈছে। এগৰাকী অতি অমায়িক আৰু সহজ সৰল মিঠামুখীয়া লোক সঞ্জীৱ নন্দীৰ মৃত্যুত অনেক গুণমুগ্ধৰ উপস্থিতিত চৌকিডিঙ্গীৰ শ্মশানত শেষকৃত্য সম্পন্ন কৰা হয়। আনহাতে জ্যেষ্ঠ সাংবাদিকজনৰ মৃত্যুত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোনোৱালে গভীৰ শোক প্ৰকাশ কৰিছে। ডিব্ৰুগড়ৰ চেন্টাৰ ফৰ ইছলামিক ষ্টাডিজৰ সভাপতি ডাঃ আহমেদ উল্লা খান আৰু সম্পাদক এম হাছিম আলীয়ে নন্দীৰ মৃত্যুৰ খবৰ শুনি গভীৰ শোক প্ৰকাশ কৰাৰ লগতে শোক সন্তপ্ত পৰিয়ালক সমবেদনা জ্ঞাপন কৰে।

# যোগ প্ৰদৰ্শন, জুম্বা, নৃত্য-গীতেৰে মুখৰিত অসম যোগ মহোৎসৱৰ সামৰণি অনুষ্ঠান




ৰঙিলী বাৰ্তাসেৱা- ভাৰতীয় যোগ সংস্কৃতি আৰু যোগ চিকিৎসা কেন্দ্ৰৰ উদ্যোগত অসম মিচিং কাউঞ্চিলৰ প্ৰত্যক্ষ সহযোগত আৰু ৰুদ্ৰাক্ষ যোগ কেন্দ্ৰৰ আতিথ্যত ধেমাজি জিলাৰ গোগামুখত ১২ ডিচেম্বৰত অসমৰ শিক্ষা মন্ত্ৰী ৰণোজ পেগুৱে শুভ উদ্বোধন কৰা আৰু সুদীৰ্ঘ ৪০ দিন ধৰি অসমৰ বিভিন্ন জিলাত বিস্তৃত কাৰ্যসূচীৰে অনুষ্ঠিত হোৱা সপ্তদশ অসম যোগ মহোৎসৱৰ সফল সামৰণি পৰে। সামৰণি অনুষ্ঠানত যোগ প্ৰদৰ্শন, বিহু নৃত্য, মিচিং কৃষ্টি নৃত্য, বেংগলী ধামাইল নৃত্য, জুম্বা, সমূহীয়া যোগাভ্যাস আৰু অসমৰ বিভিন্ন জিলাত অনুষ্ঠিত হোৱা যোগ প্ৰতিযোগিতাৰ বঁটা, মানপত্ৰ বিতৰণ আদি আকৰ্ষণীয় কাৰ্যসূচীৰে দীৰ্ঘজোৱা যোগ মহোৎসৱৰ সফল সামৰণি পৰে । ত্ৰি-শতাধিক যোগ খেলুৱৈ, যোগ প্ৰশিক্ষক আৰু যোগ শিকাৰু সকলৰ উপস্থিতিত অনুষ্ঠান অনুষ্ঠিত হয়। ভাৰতীয় যোগ সংস্কৃতি আৰু যোগ চিকিৎসা কেন্দ্ৰৰ প্ৰতিষ্ঠাপক সভাপতি যোগাচাৰ্য্য শুভাশীষ ক'ৰ, যোৰহাট যোগ বিজ্ঞান মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰবীন কুমাৰ গোস্বামী, বিবেকানন্দ কেন্দ্ৰ গুৱাহাটীৰ সুভ্ৰত মুখাৰ্জী, বি এছ এন এলৰ অৱসৰপ্ৰাপ্ত কাৰ্যবাহী অভিযন্তা চিত্তৰঞ্জন বৰুৱা, ভাৰতীয় যোগ সংস্কৃতি আৰু যোগ চিকিৎসা কেন্দ্ৰৰ সম্পাদক প্ৰফুল্ল বৰ্মণ, সপ্তদশ অসম যোগ মহোৎসৱৰ সাধাৰণ সম্পাদক ড° অনিল কুমাৰ পেগু, যোগ প্ৰশিক্ষক যাদৱ পোখৰেল, ভানুমতি পাও, লিলি সন্দিকৈ, সুৰেশ পোদ্দাৰ, অধিবক্তা গৌতম পাটোৱাৰী, ধেমাজী ৰুদ্ৰাক্ষ যোগ কেন্দ্ৰৰ যোগী যথাক্ৰমে বিদ্যাৱতী পাতিৰ, তনুজা পেগু, উত্তম কাফকে, ৰীতা কাফকে, জোৎস্না মিলি, গুণ সিন্ধু পেগু, বৈজয়ন্তী বসুমতাৰী, গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ যোগ থেৰাপিষ্ট (দহ পৃষ্ঠাত চাওক)

# ৰাজহুৱা সত্ৰ (নামঘৰ)ত পালনাম মহোৎসৱ



ৰঙিলী বাৰ্তাসেৱা- ৬৫ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে তিনিদিনীয়া কাৰ্যসূচীৰে কুমাৰপাৰাস্থিত শ্ৰী শ্ৰী ৰাজহুৱা সত্ৰ (নামঘৰ)ত সমাৰোহ অনুষ্ঠানত স্মৃতিগ্ৰন্থ 'পাঞ্চজন্য' উন্মোচন কৰা হয়। অনুষ্ঠানত লেখক, সাংবাদিক কমল কুমাৰলৈ আগবঢ়োৱা হয় সমন্বয় বঁটা। অনুষ্ঠানত সমাজ সেৱক সুৰেন্দ্ৰ কুমাৰ গোৱেল আৰু সমাজসেৱিকা কণিকা পাঠকলৈও বঁটা আগবঢ়োৱা হয়। বিশিষ্ট লেখক, প্ৰশাসনিক বিষয়া থানেশ্বৰ মালাকৰে সভাপতিত্ব কৰা অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম তথ্য আয়োগৰ মুখ্য তথ্য আয়ুক্ত ভাস্কৰজ্যোতি মহন্ত, গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণৰ উপাধ্যক্ষ মুকুতা ডেকা, বকোৰ আউনীহাটী সত্ৰৰ সত্ৰাধিকাৰ থানেশ্বৰ দাস অধিকাৰী। শ্ৰীশ্ৰী ৰাজহুৱা সত্ৰৰ মুখ্য সেৱক সনাতন দাস বাপে পৰিচালনা কৰা উক্ত অনুষ্ঠানত শ্ৰীশ্ৰী ৰাজহুৱা সত্ৰ, সেৱাশ্ৰম নিৰ্মাণৰ ক্ষেত্ৰত আৰ্থিক অনুদান আৰু সহযোগিতা আগবঢ়োৱা ৪৯ গৰাকী ব্যক্তিলৈ বিশেষ সম্বৰ্ধনা আগবঢ়োৱাৰ উপৰিও অসমৰ ভিন্ন স্থানৰ পৰা আহি পালনামত অংশগ্ৰহণ কৰা ২৫ টা নামতি দলক সম্বৰ্ধনা জনোৱা হয়। পালনাম মহোৎসৱৰ উক্ত কাৰ্যসূচীত পৰিচালনা সমিতিৰ সভাপতি ব্ৰজেন মেধি, সম্পাদিকা গীতিমা ডেকা, ১৪ নং ৱাৰ্ডৰ পাৰিষদ মঞ্জু বৰা, সাংবাদিক ডিম্পী ভৰালীৰ লগতে বৃহত্তৰ কুমাৰপাৰা অঞ্চলটোৰ সহস্ৰাধিক ভক্তপ্ৰাণ ৰাইজে অংশগ্ৰহণ কৰে।

# কংগ্ৰেছ দলৰ প্ৰাক্তন সাংসদ কিৰিপ চলিহাৰ সংবাদ মেল




ৰঙিলী বাৰ্তাসেৱা- অসম প্ৰদেশ কংগ্ৰেছৰ প্ৰাক্তন সাংসদ কিৰিপ চলিহাই আমবাৰীস্থিত গুৱাহাটী প্ৰেছ ক্লাবত এখন সংবাদ মেলৰ আয়োজন কৰি কয় যে মুখ্যমন্ত্ৰীয়ে অপসংস্কৃতিৰে ব্ৰাহ্মণবাদ প্ৰতিষ্ঠাৰ চেষ্টা চলাইছে। সৰ্বানন্দক খেদি সকলো দিশে জয় জয় ময় হৈ পৰিছে। নিজৰ লগুণ দালৰ মৰ্যাদা ৰখা উচিত। ৰাহুল গান্ধী সাহসী, কোনো দুৰ্নীতি কেলেংকাৰী নাই। মুখ্যমন্ত্ৰীয়ে ৰাহুল গান্ধীক ভয় কৰি এনে পৰিৱেশ সৃষ্টি কৰিছে। চলিহাই আৰু কয়, বিগত পাঁচ বছৰৰ পাছত সংবাদ মেলৰ আয়োজন কৰিছোঁ। ভাৰত জোড়ো ন্যায় যাত্ৰা সামাজিক অনুষ্ঠান। ইয়াত সকলো দলৰ লোকে অংশগ্ৰহণ কৰিব পাৰে। এনে অনুষ্ঠানত অপ্ৰীতিকৰ পৰিৱেশ সৃষ্টি হোৱাটো গ্ৰহণযোগ্য নহয়। দেশৰ বিভিন্ন প্ৰান্তৰ লগতে দক্ষিণ ভাৰত, তেলেংগানাটো এই ন্যায় যাত্ৰা হ'ল কিন্তু এনে পৰিৱেশ হোৱা নাছিল। অসমত আৰম্ভ হওঁতে হঠাৎ বিক্ষিপ্ত ঘটনা ঘটিবলৈ ধৰিলে। এয়া গণতন্ত্ৰৰ বাবে ডাঙৰ ভাবুকি। বিৰোধীক ৰাজনৈতিক, সামাজিক কাম কাজ কৰিব নিদিয়াটো অগতান্ত্ৰিক। ইয়াৰ ফলত ভাৰত ৰাষ্ট্ৰ দুৰ্বল হ'ব। ৰাহুল গান্ধীৰ আইতাক, পিতৃৰ মৃত্যু আমি দেখিছোঁ। কিদৰে দুৰ্বৃত্তই গুলিয়াই হত্যা কৰিছিল কিন্তু আজিও ন্যায় নাপালে। ড° হিমন্ত বিশ্ব শৰ্মাৰ লগতো মোৰ ব্যক্তিগতভাৱে ভাল। চৌদিশে বিজেপিৰ জয় জয় ময় ময় হিমন্ত বিশ্ব শৰ্মাৰ ভয় কিয়? এল টি টিৰ সন্ত্ৰাসবাদীয়ে পিতৃক হত্যা কৰিছিল ৰাহুল গান্ধীৰ। আলফাৰ দিনটো এনে পৰিৱেশ সৃষ্টি হোৱা নাছিল এতিয়া হিমন্তৰ হাতত সকলো, তাৰ পাছতো ভয় কিহৰ? অন্যহাতে মুখ্যমন্ত্ৰীক ৰাহুল গান্ধী যাত্ৰা সন্দৰ্ভত খবৰ দিয়া মানুহ কোন? ৰাজ্যৰ মুখ্যমন্ত্ৰীয়ে যদি হয় দুজন মানুহে কোৱা বুলি এইবোৰত লাগি থাকে, ৰাইজৰ টকাৰে দৰমহা দিয়া আৰক্ষী ব্যৱস্থাটো কিয় লাগে? কলিযুগত ৰাহুল গান্ধী খুব সাহসী কাকো ভয় নকৰে। লোভী, নহয়। কেলেংকাৰী নাই। মহানায়ক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও জানে। আৰক্ষীৰ সন্মুখতে প্ৰদেশ কংগ্ৰেছৰ সভাপতিক ঘুচিয়ালে এনে কাৰ্য কিয় সংঘটিত হ'বলৈ পাইছে। এয়াই নেকি ৰাম ৰাজ্যৰ পৰিচয়। অসম অতিথি পৰায়ণ বুলি জানে কিন্তু এই পৰিৱেশে অসমক কোন দিশে নিছে। মুখ্যমন্ত্ৰী কিয় বিতত হৈছে। তেওঁ সংযমী হ'ব লাগে। মানুহৰ সিদ্ধান্ত বৰ নিৰ্মম। বুৰঞ্জীৰ কেতিয়াবা পুনৰাবৃত্তি হয়। ৰোমান সাম্যৰ পতন হৈছিল। উন্মাদনা কেতিয়াও নেতৃত্বৰ পৰিচায়ক হ'ব নোৱাৰে। গণতন্ত্ৰত প্ৰত্যেক লোক সমান। গণতান্ত্ৰিক মনোভাৱ বৰ্তাই ৰখা উচিত। অসম আন্দোলনত লুকাই থকা সকলে ওলাই আহিছে। খুব বেছি হিন্দু কৰি আমি হিন্দু ধৰ্ম বিপন্ন কৰিব (দহ পৃষ্ঠাত চাওক)

# নেতাজী সুভাষ চন্দ্ৰ বসুৰ জন্ম দিন পালন



ৰঙিলী বাৰ্তাসেৱা- এ আই ডি এছ অ'ৰ উদ্যোগত ৰাজ্যজুৰি স্বাধীনতা আন্দোলনৰ আপোচহীন বিপ্লৱী ধাৰাৰ সৰ্বশ্ৰেষ্ঠ প্ৰতিনিধি নেতাজী সুভাষচন্দ্ৰ বসুৰ ১২৮ তম জন্ম দিৱস যথাযোগ্য মৰ্যাদাৰে উদযাপন কৰা হয়। সংগঠনৰ উদ্যোগত লখিমপুৰ, তেজপুৰ, যোৰহাট, নগাঁও, দৰং নলবাৰী, গুৱাহাটী, গোৱালপাৰা, ধুবুৰী, কাছাৰ, কৰিমগঞ্জ, হাইলাকান্দি, দক্ষিণ শালমাৰা আৰু মানকাচাৰ জিলাসমূহত নেতাজীৰ প্ৰতিকৃতিত শ্ৰদ্ধাঞ্জলি, সাংস্কৃতিক শোভাযাত্ৰা লগতে আলোচনা সভা, সাংস্কৃতিক অনুষ্ঠান সহ বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হয়। দিনৰ ১০ বজাত গুৱাহাটীৰ উলুবাৰীৰ ভলভ পইণ্টৰ সমীপত নেতাজী সুভাষচন্দ্ৰ বসুৰ প্ৰতিকৃতি স্থাপন কৰি অৰ্ধ শতাধিক ছাত্ৰ ছাত্ৰী উপস্থিতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান পালিত হয়। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কমচোমল পক্ষৰ পৰা গাৰ্ড অফ অনাৰ জনোৱা হয়। অনুষ্ঠানত অংশগ্ৰহণ কৰি নেতাজীৰ প্ৰতিকৃতি মাল্যৰ্পন কৰে এ আই ডি এছ অ'ৰ (দহ পৃষ্ঠাত চাওক)

# শিক্ষাগুৰু আৰু শিক্ষক দিৱস

বোৱতী নৈৰ দুয়ো পাৰ এফালে পোহৰ আনফালে আন্ধাৰ। আন্ধাৰ খিনি আঁতৰাই পোহৰৰ পথ দেখুৱাই লৈ যোৱা ব্যক্তি গৰাকীয়ে হ'ল শিক্ষাগুৰু। যাৰ কাৰণে আমি জ্ঞান ল'ব পাৰিছোঁ। তেনে এজন শিক্ষাগুৰু সকলোৰে পৰিচিত জগতত এক বিৰল উদাহৰণ তেখেত নাই যদিও তেখেতৰ গুণ গৰিমা দশোদিশে প্ৰবাহিত হৈ আছে আৰু থাকিব। মোৰ অকণমান অনুভৱ লিখিবলৈ প্ৰয়াস কৰিলোঁ।



**অনামিকা (সংগীতা)কলিতা, গুৱালকুছি**

৫ চেপ্তেম্বৰ দিনটো পৱিত্ৰ দিন। এই দিনটো শিক্ষক দিৱস হিচাপে পালন কৰা হয়। ইয়াৰ অন্তৰালত এগৰাকী মহান মনীষীৰ জন্মদিন, তেখেতক আমি শ্ৰদ্ধাৰে সোঁৱৰো সেই গৰাকী মহান ব্যক্তি "ডঃ সৰ্ব পলী ৰাধাকৃষ্ণণ"।

ডক্টৰ সৰ্বপলী ৰাধাকৃষ্ণণৰ জন্ম হয় ১৮৮৮ চনৰ ৫ চেপ্তেম্বৰ তাৰিখে মাদ্ৰাজৰ তিৰুটানি নামে ঠাইত। ব্ৰাহ্মণ পৰিয়াল সন্তান আছিল, মধ্যবিত্ত পৰিয়ালৰ ল'ৰা। পিতৃ সৰ্বপলী ৱীৰাস্বামী আৰু মাতৃ সীতাম্মাৰ এজন সুদক্ষ মেধা সম্পন্ন সন্তান আছিল ৰাধাকৃষ্ণণ । দেউতাক সাধাৰণ কৰ্মচাৰী ব্ৰাহ্মণ হলেও ভাৱধাৰা উচ্চ স্তৰৰ আছিল । যাৰ কাৰণে ৰাধা কৃষ্ণণে খ্ৰিষ্টিয়ান মিশ্যনেৰিসকলে দ্বাৰা স্থাপিত স্কুল কলেজত পঢ়ি দৰ্শন বিভাগত অনাৰ্চ লৈ সুখ্যাতিৰে উত্তীৰ্ণ হৈছিল। ইয়াৰ পিছত মাষ্টাৰ ডিগ্ৰী লাভ কৰি, অধ্যাপক জীৱনৰ পাতনি মেলিছিলা। এজন আদৰ্শ দাৰ্শনিক শিক্ষা জীৱনৰ লগত জড়িত ব্যক্তি আছিল। পাছলৈ এই জ্ঞানী পুৰুষ জনেই দুবাৰকৈ উপৰাষ্ট্ৰপতি, এবাৰ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত হৈছিল। নাইট উপাধি আৰু ভাৰত ৰত্ন উপাধিৰে বিভূষিত ব্ৰহ্মজ্ঞানী ব্যক্তিজনৰ বিষয়ে লিখি শেষ কৰিব নোৱাৰো। দেশৰ সৰ্বোচ্চ সন্মানৰ অধিকাৰী হৈছিল যদিও, বিশ্ববাসীৰ চকুৰ আগত তেখেতৰ স্থান আছিল এজন মহান দাৰ্শনিক আৰু শিক্ষক হিচাপে। এই স্থান চিৰ দিনলৈ লিপিবদ্ধ থাকিব যুগ যুগান্তৰলৈকে।

বৰ্তমান যুৱ প্ৰজন্মৰ কিছুসংখ্যক অন্ধকাৰ দিশলৈ গতি কৰা দেখিছোঁ। দেখি মন সেমেকি যায়। হত্যা, হিংসা চাৰিওফালে কলুষিত বাতাবৰণ শুদ্ধ পথৰ প্ৰদৰ্শক হিচাপে "ডক্টৰ সৰ্বপলী ৰাধাকৃষ্ণণৰ" দৰে শিক্ষাগুৰুৰ বিশেষ প্ৰয়োজন আছে। বুৰঞ্জী প্ৰতিটো লিপি এবাৰ চকু ফুৰাই চাওঁ শিক্ষাগুৰু সকলৰ সেই তাহানিৰ পৰা বৰ্তমানলৈকে এক উল্লেখযোগ্য ভূমিকা আছিল আৰু বৰ্তমানো আছে। ৫ চেপ্তেম্বৰ তাৰিখটো অহাৰ লগে লগে তেখেতৰ ভাৱধাৰা বোৰ মনলৈ আহি যায়। এই মনীষী জনৰ আদৰ্শ অনুকৰণ কৰি আহিছোঁ। মোৰ আঙুলিত ধৰি জীৱনৰ প্ৰথম আদি পাঠ শিকোৱা মা-দেউতাৰ নাম উল্লেখ নকৰিলে, হয়তো লিখনি আধৰুৱা হব। তেওঁলোক দুয়ো গৰাকী প্ৰথম শিক্ষা গুৰু। তেওঁলোকে নিজৰ জীৱনৰ অভিজ্ঞ তাৰে আমাক নীতি শিক্ষা দিছিল। এতিয়াও সৰোগত কৰি চলি আহিছোঁ। সেই গুৰু দুগৰাকীক হৃদয়ৰ পৰা প্ৰণাম জনালোঁ।

এটি স্তৱক আগবঢ়ালোঁ।

গুৰু শিষ্যৰ সমন্বয়ৰ
জ্ঞানৰ পোহৰেৰে উজলাই
সময়ৰ সুগন্ধি নৈ,
শিষ্যৰ প্ৰগতি মনৰ শকতি
আশীষ বিচাৰি কৰো
সাফল্যৰ বিজয় উল্লাস।

# মনৰ ফুলনিত

**লখিমী শৰ্মা, যোৰহাট**



মোৰ মনৰ ফুলনিত
ফুলি ৰোৱা তুমিয়েই
একমাত্ৰ মোৰ ৰঙা গোলাপ পাহি,
বুকুৰ চ'ৰাঘৰত বহিছিলা
উশাহে উশাহে কলিজাত ফুলা,
ৰঙা তেজৰঙী গোলাপৰ গোন্ধ লৈছিলা
হৃদয়ৰ শূন্যতা বোৰ
নোহোৱা কৰিবলৈ নিৰৰে আহিলা তুমি
মোৰ বিষাদ ভৰা জীৱনলৈ,
আৰু আকোৱালি ল'লা
তোমাৰ হাঁহিত
হেৰাই পেলাওঁ
জীৱনৰ বিষণ্ণতা,
আলফুলীয়া তোমাৰ স্পৰ্শই
জীপাল কৰে মোৰ বুকুৰ পথাৰ,
য'ত মই সিচোঁ আঘোণৰ ৰ'দ
তুমি মোৰ বুকুৰ কোঁহে কোঁহে
সোমাই পৰিছা ধমণীৰ শিৰা হৈ,
য'ত প্ৰবাহিত মোৰ উষ্ণ ৰক্ত কণিকা।।

# এফলীয়া মৰম

**মুকতাৰ আলী, যোৰহাট**



পুৱতিৰ মিঠা মিঠা ৰদে
কি সপোন দেখালে!
দুবৰি বনৰ বুকুত
নিয়ৰটোপাল জিকমিকালে,
শিহৰাই তুলিলে শত গুপ্ত মৰম
বলিয়া হৃদয়ৰ মতলীয়া আচৰণ।
ক্ষোভিত মই,
তোমাৰ মৰমৰ বাটৰুৱা হৈ.....
উদাসীনতাক স্বাধীনতা কৰি
এহেজাৰ আশাৰে নিজকে আৱৰি।
দিনজোৰা শত কামৰ চেগত
ৰাতিৰ বুকুত নিৰ্জন ক্ষণত,
আকুলতা - ব্যাকুলতাৰ সন্ধিক্ষণত
এধানি ভাবিবাচোন মোলৈ ।
কাৰণ....
যুগে যুগে যুগ বাগৰিছে
এফলীয়া মৰমে অপহত কৰি আহিছে
সেই অশান্তিৰ অগ্নি জানো মই সহিব পাৰিম..।

# আত্মবিশ্বাসৰে জীৱনত আনন্দৰে জীয়াই থাকিবলৈ শিকক

**শৈলেন কমাৰ, মিৰ্জা**

জীৱনত সকলোতকৈ গুৰুত্বপূৰ্ণ বস্তুটো হৈছে আত্মবিশ্বাসৰে জীৱন জীয়াই থকাটো । আমি জীৱনত বস্তুৰ মুল্য মনত ৰাখোঁ, আৰু বস্তুবিলাকক মুল্য দিওতে দিওতে, আমি জীৱনক মুল্য দিবলৈ পাহৰি যাওঁ। প্ৰত্যেক বস্তুৰেই জীৱনৰ হ'ল আনন্দ স্বৰূপ। জীৱন যেতিয়ালৈকে আছে বস্তুও থাকিব, আৰু যদি জীৱনে নাথাকে তেতিয়া কোনটো বস্তু মুল্যবান, কিন্তু আমি বস্তুবোৰক ইমান মুল্য দিওঁ যে জীৱনৰ ওপৰত ধ্যানে দিয়া নেযায় যে জীৱনত কেনেদৰে জীৱনযাপন কৰি আছোঁ। আৰু ইয়াতে যিটো "জীৱন"ৰ কথা উল্লেখ কৰা হৈছে তাৰ অৰ্থ উশাহনিশাহ লৈ, চলন ফুৰণ কৰি থকা যান্ত্ৰিক জীৱনৰ কথা কোৱা হোৱা নাই। প্ৰকৃত অৰ্থত জীৱন তেতিয়াহে য'ত আনন্দ




আছে, মুক্তি আছে, উৰিবলৈ হেপাঁহ আছে, সৰলতা আছে আৰু যিটো জীৱনত জটিলতা, সন্দেহ, অন্ধবিশ্বাস, কুসংস্কাৰ, অন্ধকাৰ ইত্যাদি আছে তেনে জীৱনটো মৃত্যুৰ সমান । তেতিয়া হ'লে সকলোতকৈ মুল্যবান কি ? কোনো বস্তুৰেই মুল্যবান নহয়, যদিহে প্ৰফুল্লতা, আনন্দ, মুক্ত জীৱন এটা নাই । আনন্দৰ দিশত যদি কোনো বস্তুৰ সহযোগিতা পোৱা যায় তেতিয়া সেই বস্তুক গ্ৰহণ কৰা উচিত আৰু যদি আনন্দৰ দিশত কোনো বস্তুৰ অৱৰোধ পোৱা যায় তেতিয়া হলে তেনে বস্তুক ত্যাগ কৰাই উচিত। মুল কথাটো বস্তু নহয়, মুল কথা হৈছে আত্মবিশ্বাসৰে জীৱনত আনন্দ লাভ কৰাটো । জীৱনৰ অৰ্থ দৈনিক খোৱালোৱা, শুৱা, উঠা, উশাহনিশাহ লোৱা নহয় জীৱনৰ অৰ্থ আত্মবিশ্বাস য'ত আছে আনন্দ, উৰিবলৈ হেপাহ এটা মুক্ত জীৱনৰ অনুভৱ কৰা ।

# প্ৰবন্ধ সংকলঃ ‘পষ্ট-মৰ্টেম্’

**ড° বুলজিৎ বুঢ়াগোহাঁই**
**আজাৰা**

**যোৱা খণ্ডৰ পৰা....**

‘গুণত ঘুণ’ লেখাটোত চৰকাৰী বিদ্যালয়ৰ নিম্নগামী মানৰ বাবে বিভিন্ন ইকেইটা কাৰকক দোষাৰোপ কৰাৰ প্ৰৱণতা থকা শিক্ষকসকলে এবাৰ আত্মবিশ্লেষণ কৰাৰো প্ৰয়োজন আছে বুলি মতামত আগবঢ়াইছে। লগতে উল্লেখ কৰিছে যে কেৱল চৰকাৰী নীতিক ভুল বুলি কোৱা শিক্ষকে নিজৰ নীতি আৰু দায়িত্ব কিমান সুচাৰুৰূপে পালন কৰিছে, তাৰো পৰ্যালোচনা কৰা দৰকাৰ। সময় থাকোঁতেই বিষয়বোৰৰ সঠিক পৰ্যালোচনা কৰি বাস্তৱসন্মত আৰু ক্ষিপ্ৰ নীতি নল’লে নিশ্চিতভাৱে চৰকাৰী শিক্ষা ব্যৱস্থাটোৱে ক্ষিপ্ৰতাৰে মৃত্যুৰ দিশে গতি কৰিব।

‘ভ্ৰষ্টাচাৰ’ লেখাটোত ভাৰতত দুৰ্নীতিৰ এক পৰ্যালোচনা আগবঢ়োৱাৰ লগতে অসমৰ বিভিন্ন কেলেংকাৰি আৰু দুৰ্নীতিৰ কেইটামান উদাহৰণ দাঙি ধৰিছে। দুৰ্নীতি আৰম্ভ যে ঘৰখনৰ পৰাই হয় তাক সুন্দৰকৈ উদাহৰণৰ সৈতে বুজাই তাৰ সমাধান হিচাপে মানসিকতাৰ পৰিৱৰ্তনৰ বিষয়ে উল্লেখ কৰিছে।

গ্ৰন্থখনৰ এটা উল্লেখযোগ্য লেখা হ’ল ‘ফৰ্মেলিন, ইউৰিয়াৰ কৰালগ্ৰাসত মৃত্যুমুখী এটা জাতি’। এই লেখাটোত ফৰ্মেলিন, ইউৰিয়াৰ তথা আন আন ৰাসায়নিক যৌগবোৰ শৰীৰৰ বাবে কিমান যে ক্ষতিকাৰক তাৰ বৰ্ণনা কৰাৰ লগতে কেৱল কৰ্মবিপ্লৱেহে ফৰ্মেলিন, ইউৰিয়াৰ কৰালগ্ৰাসত মৃত্যুমুখী জাতিটোক বচাব পাৰিব ব্যাখ্যা আগবঢ়াইছে।

‘শৌচাগাৰ পৰ্যটন’ লেখাটোত অগতানুগতিক বিষয় উপস্থাপন কৰিছে। শৌচালয় বা Toilet ৰ লগত একোখন দেশ বা ৰাজ্যৰ পৰ্যটন আৰু বিকাশৰ বিষয়টো ওতপ্ৰোতভাৱে জড়িত হৈ আছে তাৰ বিষয়ে তথ্য সহকাৰে বিশ্লেষণ দাঙি ধৰি বিশ্বত এতিয়া শৌচাগাৰ পৰ্যটন (Toilet Tourism) ৰ নতুন ধাৰণা যে আহিছে তাৰ বিষয়েও উল্লেখ কৰিছে। ‘উচ্ছেদ, উন্নয়ন আৰু গুৱাহাটীৰ ভৱিষ্যৎ’ লেখাটোত উল্লেখ কৰা গুৱাহাটীকে বহলাই নিয়াতকৈ অসমত আৰু চাৰি পাঁচখন গুৱাহাটী নিৰ্মাণৰ চিন্তা-চৰ্চা কৰাৰ দৰকাৰ কথাটো সকলোৱে সহমত প্ৰকাশ কৰিব বুলি ভাবো।

‘কেতিয়া বুজিম?’ লেখাটোত উল্লেখ আছে- ‘জাতীয়তাবাদৰ নামত অতিকৈ সহজ বেপাৰখন ক’ত কেনেদৰে চলি আছে উজনি অসমৰ তেল কোম্পানীকেইটাৰ যিকোনো এজন বিষয়াক সুধিলেই গম পোৱা যায় বা যিকোনো এটা ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ এজন উচ্চপৰ্যায়ৰ নেতাক সুধিলেই গম পোৱা যায়। আমাৰ আৱেগক বন্ধকত থৈ যি গতিত দৰ-দাম চলে তাৰ পৰাই এচাম জাতীয়তাবাদীৰ স্বৰূপ ওলাই পৰে। জাতিটোক পংগু বনোবাত ইয়াৰ ভূমিকা অন্যতম। চল্লিশ বছৰীয়া গণ আন্দোলনৰ এই নাটকখনৰ পৰা আমি আজিও শিক্ষা নলৈ নেতাৰ পিছত দৌৰিয়েই আছোঁ। জাতীয়তাবাদৰ নামত সাধাৰণ মানুহবোৰৰ আৱেগক বাণিজ্যিকীকৰণ কৰি কৰি এচামে যি ৰাজনৈতিক আৰু অৰ্থনৈতিক মুনাফা লুটি আছে তাক যদি আমি আজিও বুজিব নোৱাৰো ইয়াতকৈ দুৰ্ভাগ্যৰ কথা জাতিটোৰ বাবে হয়তো একোৱেই নাই।’ এই কথাখিনি সচাঁই চিন্তনীয় আৰু হৃদয়ংগম কৰা উচিত।




ড° প্ৰদ্যুম্ন গোস্বামীৰ নৱতম গ্ৰন্থ ‘পষ্ট-মৰ্টেম্’তো তেওঁৰ মৌলিক চিন্তা আৰু নতুন বাস্তৱবাদী বাগধাৰাৰ উন্মেষ অতি শক্তিশালী ৰূপত বিদ্যমান। গ্ৰন্থখনৰ শেষৰ ফালে ৩৪ টা তথ্যৰ উৎসৰ বিষয়ে উল্লেখ কৰিছে। গ্ৰন্থখনে বহু নতুন চিন্তাৰ উন্মেষ ঘটোৱাৰ লগতে প্ৰগতিশীল দৃষ্টিভংগী নিৰ্মাণত প্ৰভূত অৰিহণা যোগাব বুলি আশা কৰিব পাৰি। পূৰ্বায়ণ প্ৰকাশনে গ্ৰন্থ প্ৰকাশ কৰিছে আৰু প্ৰথম প্ৰকাশ-ডিচেম্বৰ, ২০২৩। গ্ৰন্থখনত মুঠ ১৭৫ পৃষ্ঠা আছে আৰু ইয়াৰ মূল্য ২৬০ টকা ।

# প্ৰকৃতিৰ অমূল্য সম্পদ- “ফুলনিবাৰী”

**ৰুমী কলিতা দত্ত, ডিব্ৰুগড়**



এখন ফুলনিবাৰীয়ে আমাক বৰ প্ৰশান্তি দিয়ে। ফুল প্ৰেম আৰু সৌন্দৰ্যৰ প্ৰতীক । পূজা-অৰ্চনা, বিয়া-বাৰু আৰু সমাজৰ প্ৰায়বিলাক কামতেই ফুলৰ প্ৰয়োজন হয়। দৌল-দেৱালয়, দোকানৰ সন্মুখত, ঘৰৰ সন্মুখত বা ঘৰৰ প্ৰতিটো কোঠাত ফুলৰ টাব ৰাখি শুৱনি কৰা হয়। গোলাপজল আৰু আঁতৰ প্ৰস্তুত কৰিবলৈও ফুলৰ প্ৰয়োজন হয়। শৰতৰ আগমন হোৱাৰ লগে লগে প্ৰকৃতিয়ে বৰণ সলায়। প্ৰকৃতিয়ে নৱৰূপ ধৰে। বৰ্ষাৰ ধাৰাসাৰ বৰষুণ, গ্ৰীষ্মৰ প্ৰখৰ ৰ’দত প্ৰকৃতিও জুৰুলা হয় সেয়ে শৰত আহিলেই প্ৰকৃতি ফুলেৰে সজাবলৈ সাজু হয়। এই প্ৰকৃতিক ৰূপ-ৰস-গন্ধেৰে বিয়পাবলৈ আমিও যত্ন কৰি আহিছোঁ। আমি সকলোৱে বিভিন্ন উপায়েৰে ফুলবোৰ জীয়াই তোলো। কেতিয়াবা গুটি সিচি, কেতিয়াবা কাটিং কৰি, কাটিং বা শাখা কলম, মুকুলন বা বাড্গ্ৰাফটিং, জোপা কলম বা এয়াৰ লেয়াৰিং পদ্ধতিৰে বাগিচাখন সজাই তোলা হয়। পুলিবোৰ উঠাই আনি ঠায়ে ঠায়ে ৰোপন কৰিব লাগে। সময়মতে সাৰ-পানী যোগান ধৰি থাকিব পাৰিলে ভাল। মন কৰিব লাগে যে সাৰ বিলাক গুৰিক পৰাকৈ দিব নালাগে। পচনসাৰ প্ৰয়োগ কৰিব। ঠাইখনত ছাঁ আৰু ৰ’দ সমানে পালে ফুলৰ জেউতি চৰে। আমি সকলোৱে এখন ফুলবাৰী পাতিলে ঘৰখন শুৱনি হোৱাৰ লগতে চৌপাশ সুন্দৰ হ’ব। প্ৰতিঘৰতে এনে এখন বাৰী অকণমান থাকিলে গাঁওখন শুৱনি হৈ পৰিব। বিভিন্ন ৰং-ৰূপেৰে আনন্দৰ বন্যা বোৱাব। আমি প্ৰতিঘৰ মানুহেই যদি নিজৰ পদুলিমুখখন বাৰীৰ ইটো মূৰৰ পৰা সিটো মূৰলৈ চাফ-চিকুণকৈ ৰাখি এখন ফুলনিৰ বাগিচা পাতোঁ তেন্তে কিমান ধুনীয়া লাগিব ভাবকচোন। লগতে আলিবাটোও চাফ-চিকুণ হৈ পৰিব । প্ৰতিঘৰ মানুহেই কিন্তু এই পদক্ষেপ ল’ব লাগিব তেতিয়াহে পৰিৱেশ সুন্দৰ হ’ব। গতিকে আহকচোন আমি সকলোৱে খন্তেক সময় উলিয়াই এটি সুন্দৰ মনৰ দৰে ঘৰখনো সুন্দৰ কৰি তোলোঁ। এনে এটি পৰিৱেশে আমাৰ মৰতত সৰগ ৰচিব ।

# অযোধ্যাৰ ৰাম মন্দিৰ

**লখিমী শৰ্মা, যোৰহাট**



এটা হিন্দু মন্দিৰ যি ভাৰতৰ উত্তৰ প্ৰদেশৰ অযোধ্যাত ৰামৰ পৱিত্ৰ জন্মভূমিৰ তীৰ্থস্থানত নিৰ্মাণ কৰা হৈছে। বহু হিন্দুসকলে বিশ্বাস কৰে যে এই স্থানটো ৰামৰ জন্মস্থান, যাক ভগৱান বিষ্ণুৰ সপ্তম অৱতাৰ হিচাপে উপাসনা কৰা হয় । মন্দিৰটোৰ নিৰ্মাণৰ কাম শ্ৰী ৰাম জন্মভূমি তীৰ্থক্ষেত্ৰৰ দ্বাৰা পৰিচালিত হয় । গুজৰাটৰ সোমপুৰা পৰিবাৰে এই মন্দিৰটোৰ ডিজাইন কৰিছে। ই বাবৰী মছজিদৰ স্থানৰ ওপৰত নিৰ্মিত, যাক ১৯৯২ চনত ভাঙি পেলোৱা হৈছিল। অযোধ্যাৰ ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠাৰ প্ৰাক্ক্ষণত সমগ্ৰ অযোধ্যাত উৎসৱমুখৰ পৰিৱেশ বিৰাজ কৰিছিল। প্ৰাণ প্ৰতিষ্ঠাৰ পূৰ্বৰ সকলো ৰীতি - নীতি সম্পূৰ্ণ হৈ উঠিল। দেশৰ বিভিন্ন পবিত্ৰ নৈ, জলাশয়ৰ পৰা অনা পানীৰে ৰাম লালাৰ মূৰ্তিক স্নান কৰোৱা হয়। প্ৰাণ প্ৰতিষ্ঠা অনুষ্ঠানৰ বাবে ৰাম মন্দিৰৰ লগতে সমগ্ৰ অযোধ্যাক সজাই - পৰাই তোলা হৈছিল । প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে বহু কেইগৰাকী বিশিষ্ট ব্যক্তিৰ উপস্থিতিত বৈদিক ৰীতি - নীতিৰে ৰাম মন্দিৰৰ প্ৰাণ প্ৰতিষ্ঠা কৰা হ’ল। অনুষ্ঠানত ভাগ ল’বলৈ অসমৰ কেইবাখনো সত্ৰৰ সত্ৰাধিকাৰ অযোধ্যাত উপস্থিত হৈছিল। অযোধ্যাৰ মন্দিৰসমূহত কীৰ্তন, ভজন, ৰামায়ণ আৰু ৰামচৰিত মানসৰ নিৰন্তৰ পাঠ কৰা হৈছিল। অযোধ্যাৰ সীমান্তবন্ধ কৰি দিয়া হৈছিল আৰু যান - বাহনসমূহৰ বাবে বিকল্প পথৰ ব্যৱস্থা কৰা হৈছিল। চহৰখনৰ আকাশমাৰ্গ ড্ৰোনৰ দ্বাৰা পহৰাৰ ব্যৱস্থা কৰা হৈছিল । অযোধ্যা চহৰৰ বাট - পথসমূহত হাজাৰ হাজাৰ সুৰক্ষাকৰ্মী নিয়োগ কৰা হৈছিল। সৰযু নৈতো জল আৰক্ষী নিয়োজিত কৰা হৈছিল ।

# নিৰলা পলকৰ অপেক্ষাৰত

**প্ৰাণ প্ৰতিমা বড়া,গুৱাহাটী**



বিশ্ৰান্ত হৃদয়ৰ আকুল আহ্বান
হিৰন্ময়ী হৰিণীৰ মোহত
সীতাদেৱীও সৰ্বশ্ৰান্ত,
ধৰাৰ বুকুত মায়াৰ ফান্দত বন্দী
আমি একো একোজন পথভ্ৰষ্ট পথিক,
বিৰাগীয়া আশাৰ সন্ধানত,
তমোময় নিশাৰ হেঁপাহত,
নিৰলা পলকৰ অপেক্ষাৰত,
নিৰবধি যাত্ৰা দুৰদিগন্তলৈ.......

সত্যমেৱ জয়তে
অসম চৰকাৰ



মহিলা উদ্যোগীলৈ অসম চৰকাৰৰ উদগনি

# মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযান

JANASANYOG- 4401/23/28-Jan-24



**৩৯ লাখ**
মহিলা আত্মসহায়ক গোটৰ সদস্যালৈ সহায়ৰ হাত

বছৰি ন্যূনতম
**১ লাখ টকা**
উপাৰ্জনেৰে প্ৰতিগৰাকীক গ্ৰাম্য ক্ষুদ্ৰ উদ্যোগী হিচাপে প্ৰতিষ্ঠিত কৰাৰ লক্ষ্য

**লাখপতি বাইদেউ**

**১০,০০০**
টকাৰ উদ্যমিতা পুঁজি

মহিলা আত্মসহায়ক গোটৰ যোগ্য সদস্যালৈ

## যোগ্যতাৰ চৰ্ত (বীজ মূলধন)

মহিলা আত্মসহায়ক গোটৰ সক্ৰিয় সদস্যা যিগৰাকী -

- অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ অধীনত পঞ্জীভুক্ত
- আধাৰ সংযুক্ত ছেভিংছ বেংক একাউণ্টধাৰী
- আত্মসহায়ক গোট, ফেডাৰেচন, বেংক আদিৰ পৰা পূৰ্বে গ্ৰহণ কৰা ঋণ পৰিশোধ কৰা মহিলা (এইক্ষেত্ৰত ২০২১ চনৰ পূৰ্বে মাইক্ৰ' ফাইনেন্স প্ৰতিষ্ঠানৰ পৰা ঋণ লোৱাসকলক ডিফল্টাৰ বুলি গণ্য কৰা নহ'ব)
- নিম্নতম এটা উপাৰ্জন সৃষ্টিকাৰী কাৰ্যকলাপত নিজে জড়িত
- নিজৰ উদ্যোগ সন্দৰ্ভত এক ব্যৱসায়িক পৰিকল্পনা থকা
- বৰ্তমান তিনিটাতকৈ অধিক সন্তান নথকা মহিলা (সাধাৰণ/অন্যান্য পিছপৰা শ্ৰেণীৰ ক্ষেত্ৰত)
- বৰ্তমান চাৰিটাতকৈ অধিক সন্তান নথকা মহিলা (অনুসূচিত জনজাতি/অনুসূচিত জাতি/মৰাণ/মটক/চাহ জনজাতিৰ ক্ষেত্ৰত)
- বিদ্যালয়ত অধ্যয়নৰত কন্যা সন্তানৰ মাতৃ
- অমৃত বৃক্ষ আন্দোলনৰ সময়ত ৰোপণ কৰা বৰ্তমান জীৱিত আৰু বৰ্ধিত গছপুলিটোৰ অধিকাৰী

## নিৰীক্ষণ আৰু ৰূপায়ণ

জিলা পৰ্যায়ত নিম্নোল্লিখিত সদস্যসকলক লৈ গঠিত নিৰীক্ষণ সমিতিয়ে আঁচনিখনৰ ৰূপায়ণ নিৰীক্ষণ কৰিব

- অভিভাৱক মন্ত্ৰী - অধ্যক্ষ
- জিলা আয়ুক্ত – সদস্য সচিব
- বিধায়কসকল – সদস্য
- মুখ্য কাৰ্যবাহী বিষয়া, জিলা পৰিষদ/প্ৰকল্প সঞ্চালক, ডি আৰ ডি এ – সদস্য
- জিলা প্ৰকল্প প্ৰবন্ধক, এ এছ্ আৰ এল এম – সদস্য
- মুখ্য জিলা প্ৰবন্ধক – সদস্য
- তিনিগৰাকী সদস্য ৰাজ্য চৰকাৰৰ দ্বাৰা মনোনীত কৰা হ'ব

অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ জিলা প্ৰকল্প প্ৰবন্ধকে যুগুতোৱা জিলাৰ হিতাধিকাৰীসকলৰ তালিকাত সমিতিয়ে অনুমোদন জনাব

**হিতাধিকাৰীৰ বেংক একাউণ্টত পোনপটীয়াভাৱে লাভালাভ জমা দিয়া হ'ব**

ন'ডেল এজেন্সি — অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ
ন'ডেল বিষয়া — ৰাজ্যিক অভিযান সঞ্চালক, এ এছ্ আৰ এল এম

তথ্য আৰু জনসংযোগ সঞ্চালকালয়, অসমৰ দ্বাৰা প্ৰচাৰিত

Connect with us @diprassam dipr.assam.gov.in

# প্ৰজ্ঞাস্নাতা ডঃ শীলা বৰঠাকুৰ

## (সদৌ অসম লেখিকা সমাৰোহৰ প্ৰতিষ্ঠাতা পদ্মশ্ৰী ডঃ শীলা বৰঠাকুৰলৈ সোণালী জয়ন্তীৰ এই শুভক্ষণত সশ্ৰদ্ধ প্ৰণিপাত)



মৃদুস্মিতা শৰ্মা,বোকাখাত

পদ্মশ্ৰী শীলা বৰঠাকুৰ কেৱল এক ব্যক্তি নহয়, এক মহতী অনুষ্ঠান। ১৯৩৫ চনত সংগীত শিল্পী প্ৰয়াত নবীন শৰ্মা আৰু প্ৰয়াত প্ৰীতিলতা দেৱীৰ দ্বিতীয় সন্তান শীলা বৰঠাকুৰৰ যোৰহাটত জন্ম হৈছিল। পিতৃৰ কৰ্মসূত্ৰে সৰু কালছোৱা ঢাকাত ডাঙৰ হোৱা শীলা বৰঠাকুৰ আছিল সৰুৰে পৰা কৰ্মচঞ্চল। অফুৰন্ত শক্তিৰ প্ৰকাশৰ বাট বিচাৰি তেখেতে গীত, নৃত্য, বাদ্য অভিনয় আদি সকলোতে আগৰণুৱা আছিল। নিচেই সৰু কালতে ঢাকা বিশ্ববিদ্যালয়ৰ সমাবৰ্তন উৎসৱত গীত পৰিবেশন কৰি সকলোৰে বিপুল সমাদৰ লাভ কৰিছিল। পাছত যোৰহাটলৈ ঘূৰি আহি প্ৰৱেশিকা আৰু তাৰ পাছত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। এই সময়ছোৱাতে তেখেতৰ যোৰহাটৰ সাংস্কৃতিক জগতখনৰ লগত এক নোৱাৰা সম্পৰ্ক গঢ়ি উঠিছিল। কেওফালে শীলা বৰঠাকুৰৰ গুণ গৰিমাই সমাদৰ লাভ কৰিছিল। বিষ্ণুৰাভা বঁটাপ্ৰাপক তেতিয়াৰ এগৰাকী অন্যতম নৃত্যশিল্পী ষড়ানন বৰঠাকুৰৰ সৈতে বিবাহ পাশত আবদ্ধ হৈ তেজপুৰৰ বোৱাৰী হৈ উষানগৰী তেজপুৰলৈ আহে। এই শুভবিবাহৰ ফলত দুটি প্ৰাণ প্ৰাচুৰ্য্যৰে ভৰা শিল্পীসত্বা এক হৈ সুন্দৰৰ সাধনাত যুগ্মভাৱে আগবাঢ়ি যায়।

ডঃ শীলা বৰঠাকুৰে অসম চৰকাৰৰ বৃত্তি পায় লক্ষ্মৌৰ ভাটখাণ্ডে সংগীত মহাবিদ্যালয়ৰ পৰা চেতাৰত প্ৰথম শ্ৰেণীৰ প্ৰথম হয়। ইয়াৰ পাছত বিশ্বভাৰতীলৈ ৰবীন্দ্ৰ সংগীতৰ শিক্ষা ল'বলৈ যায়। ছাত্ৰী অৱস্থাৰ পৰাই শীলা বাইদেউ গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ এগৰাকী স্বীকৃত শিল্পী। তেখেতৰ সংগীতৰ প্ৰতি থকা এই ধাউতি গোটেই জীৱনতে পৰিস্ফুট হৈ আছে। বাইদেৱে শেষৰ ফাললৈ প্ৰায়বোৰ ৰাজহুৱা অনুষ্ঠানতে তেখেতৰ সাৰগৰ্ভ বক্তৃব্যৰ পিছত এটি সুৱদিসুৰীয়া গীত পৰিবেশন কৰি উপস্থিত শ্ৰোতাক মন্ত্ৰমুগ্ধ কৰিছিল। জ্যোতিপ্ৰসাদ, বিষ্ণুৰাভা পাৰ্বতীপ্ৰসাদ, নলিনীবালা দেৱীৰ আদিৰ গীত বাইদেউৰ কণ্ঠত অধিক আকৰ্ষণীয় হৈছিল। 'ফাগুণে উলটি চায়' বাইদেউৰ বাণীবদ্ধ গীতৰ কেছেট্টোত বাইদেউৰ সুৰৰ অমিয়া জোঁকাৰ সংৰক্ষিত হৈ আছে।

১৯৭৪ চন, ২ নৱেম্বৰ। তেজপুৰ মহিলা শিল্পানুষ্ঠানৰ এখন সভাত শীলা বৰঠাকুৰ বাইদেৱে এটা প্ৰস্তাৱ আগবঢ়ালে- অসমৰ চুকে কোণে লুকাই থকা অসমৰ বাই ভনীসকলক একত্ৰিত কৰি সুপ্ত প্ৰতিভাৰ বিকাশৰ বাবে সদৌ অসম লেখিকা সমাৰোহ সমিতি গঠন কৰা হওক। কথামতেই কাম। ডঃ শীলা বৰঠাকুৰৰ প্ৰস্তাৱ মৰ্মে এটা মহৎ অনুষ্ঠানৰ জন্ম হ'ল। বৰ্তমান ভাৰতৰ বিভিন্ন প্ৰদেশত সিঁচৰতি হৈ থকা শাখাসমূহৰ উপৰিও ৰাজ্যখনৰ ইমূৰৰ পৰা সিমূৰলৈ ৫০০ ৰো অধিক শাখাৰে শক্তিশালী এটি অনুষ্ঠান গঠন কৰা কম কথা নহয়। তাতে সত্তৰৰ দশকত আজিৰ দৰে জন সংযোগৰ বাবে মবাইল নেটৱৰ্ক নাছিল। যোগাযোগৰ একমাত্ৰ মাধ্যম আছিল এতিয়াৰ দিনত প্ৰায় লুপ্তপ্ৰায় হোৱা চিঠি। গোটেই অসমৰ লেখিকা সকলৰ ঠিকনাসমূহ সংগ্ৰহ কৰি বাইদেৱে দিনে খনে খনে চিঠি লিখে। কোনোবাখন পোষ্টকাৰ্ডত কোনোবা খন ইনলেণ্ড লেটাৰত, কোনোখন খামত। প্ৰতিখন চিঠিত পাত ভৰাই লিখে অনুপ্ৰেৰণা জগাবলৈ। সেইদৰেই বাইদেউৰ আপ্ৰাণ চেষ্টাৰে গঢ়ি তুলিলে আজি অসম তথা ভাৰতৰে নহয় পৃথিবীৰে অদ্বিতীয় এই সামাজিক সাংস্কৃতিক মহিলা অনুষ্ঠানটি। নাৰী সৱলীকৰণৰ এক বলিষ্ঠ মাধ্যমৰূপে তেখেতে নিৰ্বাচন কৰিলে সাহিত্য আৰু সংস্কৃতিৰ সাধনা। ডঃ শীলা বৰঠাকুৰে মানুহৰ মাজত থকা প্ৰতিভা চিনিব পাৰিছিল সেয়েহে বাছি বাছি ইচামৰ পিছত সিচাম নাৰীক উলিয়াই আনিছিল আৰু তেখেতৰ সম্মোহিনী ব্যক্তিত্বই সকলোকে একগোট কৰি দেখুৱাই গ'ল - নাৰীৰ মহতী শক্তিয়ে সমাজত পৰিৱৰ্তন আৰু প্ৰগতিৰ ধ্বজা উৰুৱাব পাৰে। শীলা বৰঠাকুৰ বাইদেৱে তেখেতৰ কৰ্মৰ মাজেদি, তেখেতৰ লেখাৰ মাজেদি, তেখেতৰ এই মহান অনুষ্ঠানটোৰ মাজেদি চিৰ জ্যোতিষ্মান হৈ থাকিব।

ডঃ শীলা বৰঠাকুৰ এগৰাকী যুগদ্ৰষ্টা। তেখেতৰ কৰ্মৰ মাজেদি অসমৰ সমাজ জীৱনৰ এক ঐতিহাসিক দলিল সংৰক্ষিত কৰি গৈছে। অসমৰ বুৰঞ্জীত হেৰাই যাব খোজা বহুতো লেখিকাৰ জীৱন দৰ্শন তেখেতে সম্পাদনা কৰি সংৰক্ষণ কৰিলে। লেখিকাৰ জীৱনীৰ প্ৰথম খণ্ড আৰু দ্বিতীয় খণ্ডত ৭৬ গৰাকী লেখিকা -আই পদ্মপ্ৰিয়াকে ধৰি নিৰুপমা ফুকনকে সামৰি যি দুখনি গ্ৰন্থ দি থৈ গ'ল সেইয়া অসমীয়া সাহিত্যৰ বুৰঞ্জীৰ এক অবিচ্ছেদ্য অথচ অৱহেলিত ইতিহাস। এই পৰম্পৰা, ইতিহাস বীক্ষা লেখিকা সমাৰোহ সমিতিয়ে তেখেতৰ প্ৰেৰণাত আজিও অব্যাহত ৰাখিছে। দৃষ্টি আৰু দৃষ্টান্ত, লেখকৰ সৃষ্টিত নাৰী, সংস্কৃতিৰ সন্ধানত তেখেতৰ মৌলিক বিচাৰ বিশ্লেষণ সন্নিবিষ্ট প্ৰবন্ধ সংগ্ৰহ। বাইদেউৰ মৌলিক গল্প সংকলন অনন্যা আৰু অন্তৰা। তেখেতৰ ভ্ৰমণ কাহিনী আটলাণ্টা। ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ ৰচনা সম্ভাৰ, নলিনীবালা দেৱী ৰচনা সম্ভাৰ, মহাশ্বেতা বাইদেউৰ সম্পাদিত গ্ৰন্থ। দৃশ্যদ্বতী বাংলালৈ অনুদিত সম্পাদিত কবিতা সংকলন। অসমীয়া লেখিকাৰ গ্ৰন্থপঞ্জী সাহিত্যৰ বুৰঞ্জীৰ এক আপুৰুগীয়া সম্পদ। ডঃ শীলা বৰঠাকুৰৰ বহুমুখী প্ৰতিভা আৰু সমাজ জীৱনলৈ আগবঢ়োৱা অসামান্য অৱদানৰ বাবে ভাৰত চৰকাৰে ২০০৮ চনত তেখেতলৈ পদ্মশ্ৰী সন্মান আগবঢ়াইছে। অসম চৰকাৰে তেখেতলৈ সাহিত্যিক পেঞ্চন আগবঢ়াইছে। অসম সাহিত্য সভাই তেখেতলৈ বাসন্তী বৰদলৈ বঁটা আগবঢ়াইছে। সদৌ অসম লেখিকা সমাৰোহ সমিতিয়ে তেখেতলৈ কাব্যভাৰতী নলিনীবালা দেৱী বঁটা আগবঢ়াইছে। লগতে তেখেতলৈ কৰ্মপ্ৰাণা তেজস্বিনী আদি উপাধি সন্মান আগবঢ়োৱাৰ উপৰিও ভালেমান বঁটা বাহন সম্বৰ্দ্ধনা আগবঢ়াইছে। এই সন্মান বা বঁটাসমূহে বাইদেউক প্ৰেৰণা দিছে। ৮৫ বছৰ বয়সতো তেখেত একেই কৰ্মোদ্যমী একেই দৃঢ়মনা একেই সুন্দৰৰ পূজাৰী, কৰ্মই তেখেতৰ ধৰ্ম, গীতাৰ কৰ্মযোগেৰে দীক্ষিত হৈ বাইদেৱে ফলাফলৰ আশা নকৰি কেৱল কৰ্ম কৰি গ'ল - দহৰ বাবে, সমাজৰ বাবে।

যোৱা একৈশ জুন, দুহেজাৰ বিশ দেওবাৰে এইগৰাকী মহিমাময়ী আমাৰ অতিকৈ আপোন শ্ৰদ্ধাৰ শীলা বৰঠাকুৰ বাইদেউৰ মহাপ্ৰয়াণ ঘটে। বাইশ জুন সোমবাৰে পুৰা তেজপুৰত ৰাজ্যিক মৰ্যাদাৰে বাইদেউৰ শেষ কৃত্য সমাপন কৰা হয়। বিশাল কৰ্মৰাজিৰে বাইদেৱে সমাজত ৰাখি গ'ল এক বিৰল আদৰ্শ। বিশ্ব সাহিত্যত সোণালী আখৰেৰে ক্ষোদিত হ'ব বাইদেউৰ নাম। অমৰ হৈ ৰ'ব ডঃ শীলা বৰঠাকুৰ।

সোণালী জয়ন্তীৰ এই পবিত্ৰ ক্ষণত বাইদেউলৈ জনালোঁ সশ্ৰদ্ধ প্ৰণিপাত। সৰগৰ পৰাই সকলোকে আশীৰ্বাদ কৰিব।

# কিৰণ তামূলীৰ 'শিশু -সাহিত্যৰ মৌচাক'

বন্দিতা শৰ্মা কন্দলি, দেৰগাঁও

মৰমৰ মইনাহঁত আজি তোমালোকক পঢ়ি খুউব ভাল লগা এখন কিতাপৰ কথা ক'ম। কিৰণ তামুলী শিশু -সাহিত্য ন্যাসৰ হৈ মৌচাক প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা গ্ৰন্থখনৰ সম্পাদক আমাৰ সকলোৰে শ্ৰদ্ধাৰ মৌচাক মামা অৰ্থাৎ শান্তনু তামুলী। গ্ৰন্থ খনৰ সম্পাদকীয় ত 'মৌচাক' আৰু 'নতুন আৱিষ্কাৰ' শিশু আলোচনী দুখনৰ লগত জন্মলগ্নৰে পৰা ২০২১ চনলৈকে নিয়মীয়াভাৱে লিখা ডাঃ কিৰণময়ী তামুলীৰ জীৱন আৰু ৰচনাৱাজিৰ পৰিচয় দিয়া হৈছে। 'মৌচাক' আৰু 'নতুন আৱিষ্কাৰ' ত 'ডাক্তৰ অহাৰ আগতে' শিতানৰ লেখিকা আৰু 'ডাঃ পহী' নামেৰে শিশুৰ মাজত জনপ্ৰিয়




হোৱা ডাঃ কিৰণময়ী তামুলীয়ে শিশু উপন্যাস 'অপৰাজেয়', ভ্ৰমণ কাহিনী 'টেমছৰ দুয়োপাৰ' আৰু 'আমেৰিকা আমেৰিকা', সাধুকথা 'শহা আৰু কাছৰ দৌৰ' লগতে 'জনা -নজনা ৰোগৰ কথা' নামৰ চিকিৎসা বিজ্ঞানৰ এখন অতি মূল্যবান পুথি ৰচনা কৰি থৈ গৈছে যি খনে মইনাহঁতক সৰুৰে পৰাই সচাচৰ হৈ থকা ২২ বিধ ৰোগ-ব্যাধিৰ প্ৰতি সচেতন কৰি তুলিব। গ্ৰন্থখনত কিৰণময়ী বাইদেউৰ উল্লেখিত আটাইকেইখন শিশুগ্ৰন্থ একেলগ কৰি সংকলনটো প্ৰকাশ কৰি উলিয়াইছে।

গ্ৰন্থখনৰ ভূমিকাত প্ৰশান্ত কুমাৰ মহন্তই কিৰণময়ী বাইদেউৰ পৰিচয় দাঙি ধৰাৰ লগতে শিশু গ্ৰন্থ কেইখনৰ বিষয়বস্তুৰ আভাস পোৱা যায়। গ্ৰন্থখনৰ প্ৰথম অংশত সম্পাদকীয়, ভূমিকাৰ পাছত বাইদেউৰ শিশু পুথি কেইখন আৰু দ্বিতীয় অংশত বৰ গুৰুত্বপূৰ্ণ বিষয় এটাই স্থান পাইছে। সেইটো হৈছে কিৰণ তামুলীৰ গ্ৰন্থসমূহৰ আলোচনা। বিভিন্ন কাকত আলোচনীৰ পাতত প্ৰকাশিত বাইদেউৰ শিশুগ্ৰন্থ কেইখনৰ আলোচনা বিভিন্ন জনে কৰিছে। সম্পাদকে সেইসমূহ সংগ্ৰহ কৰি সংকলন খনত প্ৰকাশ কৰিছে। গ্ৰন্থখনৰ আলোচনাৰ পৰা শিশুসকল বিশেষ ভাৱে উপকৃত হ'ব। কিয়নো আলোচনা সমূহ পঢ়াৰ পাছত শিশু গ্ৰন্থ এখন পঢ়িলে কেনেদৰে গ্ৰন্থ খনৰ ওপৰত আলোচনা আগবঢ়াব পাৰি আশা কৰোঁ সেই বিষয়ে শিকিব পাৰিব। মুঠৰ ওপৰত মৌচাক প্ৰকাশনে প্ৰকাশ কৰি উলিওৱা 'কিৰণ তামুলীৰ শিশু -সাহিত্যৰ মৌচাক' গ্ৰন্থখন শিশু সকলৰ বাবে এখন সৰ্বাংগসুন্দৰ গ্ৰন্থ। কেৱল শিশুৰ বাবে নহয় গ্ৰন্থখন অভিভাৱক বা ডাঙৰ সকলৰ বাবেও সুপাঠ্য। আকৰ্ষণীয় বেটুপাতৰ গ্ৰন্থখন তোমালোকৰ মাজৰ কোনো কোনোৱে পঢ়িছা নিশ্চয়। যিসকলে পঢ়া নাই তেওঁলোকে গ্ৰন্থখন পঢ়িবা বুলি আশা ৰাখিলোঁ।

# আলোক

সুনম বিশ্বাস গোস্বামী, তামুলপুৰ



ধল পুৱাতেই ঘন কুঁৱলীৰ বুকুভেদি হাড় কঁপোৱা শীতত থৰথৰাই কঁপা আঙুলিবোৰে বুটলি ফুৰে, শিক্ষিত সমাজৰ ভদ্ৰমানুহে য'তে-ত'তে পেলোৱা আৱৰ্জনাবোৰ। পৰিৱেশ নিকা কৰাৰ পেচা, আপাততঃ এয়া যেন পেটৰ তাড়নাত পালন কৰিবলগীয়া কৰ্তব্য। দীপে কান্ধত বস্তা এটা লৈ দোকমোকালিতে নৰ বৰুৱাৰ গেটখনৰ ওচৰত ৰৈ থাকে। তাক দেখি কুকুৰটোৱে নিতৌ ভুকে, এয়া যেন তাৰ কৰ্তব্য, সি প্ৰভুভক্ত। ভুকভুকনিৰ শব্দ শুনি বৰুৱাৰ নিতৌ টোপনি ভঙাটো অভ্যাসত পৰিণত হৈছে। তেওঁ বেলকনিলৈ আহি নৌপাওঁতেই যেন অদৃশ্য শক্তিৰ দৰে বিলীন হৈ যায়। এদিনাখন ৰহস্যৰ ওৰ পেলাবলৈ বৰুৱাই খিড়িকীৰ আঁৰত ৰৈ থাকিল ; তেওঁ দেখিলে, -" কান্ধত বস্তাৰ টোপোলা এটা লৈ ল'ৰাজনে 'পেপাৰবইয়ে' গেটত থৈ যোৱা পেপাৰখন পঢ়ি আছে এই জাৰত পেপুৱা লাগি কোনোমতে থিয় দি আছে। ভৰিত চেণ্ডেল এপাতো নাই। পঢ়াৰ প্ৰতি প্ৰবল ধাউতি দেখি তেওঁৰ মায়া উপজিল। একান্তমতে এক বিৰল দৃশ্য দেখি যেন তেওঁ সন্তোষ লভিছে। কুকুৰে ভুকা ৰহস্যটো উৎঘাটন কৰিবলৈ পাই তেওঁ সুখী। এনেদৰে কেইবাদিনো চলি থাকিল। এদিন বৰুৱাই ল'ৰাটোক সুধিলে, -" তোৰ নাম কি? " - সি ভয়ত পলাই যাব বিচাৰিছিল , কিন্তু তেখেতৰ মৌসনা মাতত ভয় কিছু আঁতৰিল। মোৰ নাম দীপ। - তাৰ মনোদশাৰ উমান পাই আৰু বিশেষ একো নুসুধিলে, ঘৰত থকা পুৰণি কিতাপ আৰু পেপাৰবোৰ তাক দিলে। সি কিতাপবোৰ দেখি আনন্দত আত্মহাৰা হ'ল। পৃথিৱীৰ সমস্ত সুখে যেন তাৰ ওচৰত আত্মসমৰ্পন কৰিছে! বস্তাত ভৰাই লৈ আনন্দমনেৰে ঘৰলৈ গ'ল। ঘৰ মানে বিশাল মহাশূন্যৰ তল ফুটপাথ নিশা ষ্ট্ৰীটলাইটৰ পোহৰতপঢ়ে, দিনত সময় নাপায়, পেটৰ তাড়নাই যেন সিহঁতৰ দৰে ল'ৰা-ছোৱালীক ফুল কুমলীয়া বয়সতে দায়িত্বৱান, পৰিশ্ৰমী, আত্মনিৰ্ভৰশীল কৰি তুলে। এদিন আবেলি হঠাৎ কলিং বেলটো বাজি উঠিল। বৰুৱাই মুঠাত বহি পুৰণি ফটো এলবামখন লৈ অতীত ৰোমন্থন কৰিছে। যিটো সময়ত নাতি-নাতিনীহঁতৰ লগত ওমলি দিন কটোৱাৰ কথা, সেই বয়সত নিঃসংগতাই যেন একান্তভাৱে বুকুত টানি লৈছে। অসময়ত পত্নী হেৰুৱা বেদনাইয়ো যেন তেওঁৰ অন্তৰখনত খুঁটি খুঁটি খাইছে। বিশাল জনাৰণ্যত তেওঁ যেন এই বয়সত একাকীত্বত ভুগিছে। কপালৰ ঘাম মাটিত পেলাই সন্তান দুটাক পঢ়া-শুনা কৰাই ডাঙৰ কৰিলে। চাকৰিসূত্ৰে তেওঁলোক বিদেশত থাকে। বৃদ্ধ পিতৃৰ খবৰ ল'বলৈ যেন তেওঁলোকৰ আহৰি নাই। নিজ গৃহতে তেখেতে অনাথৰ দৰে দিন কটাইছে। কিন্তু হঠাৎ কলিঙৰ শব্দই যেন তেখেতৰ জীৱনৰ নতুন আশাৰ কঠীয়াতলিত এজাক মৃদু বৰষুণে শীতল কৰিছে। আনন্দত বুকুখন উফন্দি উঠিল। নিশ্চয় ল'ৰা আহিছে! চছমাযোৰ ভালদৰে পিন্ধি কথঞ্চিৎৰূপে দুৱাৰখন খুলি তেখেতে অন্য এক দৃশ্য হে দেখিলে, -" ওখ-পাখ এজন চফল ডেকা, মুখখন আবেলিৰ এচামকা সূৰ্যৰ পোহৰত জিলমিল কৰিছে। পোছাকযোৰত থকা নামফলকৰ আখৰকেইটা কোনোমতে উচ্চাৰণ কৰিলে 'I -P-S D-E-E-P'....., বয়সৰ চাপত দৃষ্টিশক্তিয়ো আগৰ দৰে নাই। - দীপে এখন পেপাৰ আৰু এটোপোলা চাকি দি তেখেতক সেৱা জনালে। তেওঁ ক'লে, -"খুৰা মোক চিনি পাইছেনে? সেই যে কুকুৰৰ ভুকভুকনিত আপোনাৰ টোপনি ভাঙিছিল; কান্ধত বস্তা এটা লৈ ল'ৰাজন যে গেটৰ সন্মুখত ৰৈ আছিল..!" দীপৰ কথা শেষ নহওঁতেই তেখেতে তেওঁক বুকুত টানি ল'লে। এয়া যেন পিতা-পুত্ৰৰ মহামিলন, তেজৰ সম্পৰ্ক নাই তথাপিও যেন দুই আত্মাৰ একমধুৰ আলিঙ্গন; এয়া যেন মনিকাঞ্চন-সংযোগ। চৈধ্য বছৰ বনবাসৰ পিছত প্ৰভু আগমনে অযোধ্যাবাসীৰ মনত যি আনন্দ হৈছিল তদ্ৰুপ তেখেতৰ ঘৰলৈ স্বয়ং প্ৰভু ৰামৰ দৰে দীপৰ আগমন হৈছে....চৌপাশ সুখৰ অৱবাহিকাত উটি-ভাহি যোৱাৰ উপক্ৰম হৈছে ! অতবছৰৰ দীপাৱলীৰ পোহৰত গোটেই পৃথিৱীখন আলোকিত হ'লেও আজিৰ দীপাৱলীৰ আনন্দই সুকীয়া। তেওঁৰ অন্ধকাৰাচ্ছন্ন জীৱনটো দীপে অপৰিসীম আলোকেৰে আলোকিত কৰি জীয়াই থকাৰ নতুন বাট মুকলি কৰি দিলে ..... !

# সংঘৰ্ষত কোনো নাথাকে কিন্তু সফলতাত পিছ পৰি আছে

চন্দ্ৰ শেখৰ পৰাজুলী, বিশ্বনাথ চাৰিআলি



আচলতে এই জগতখন দেখিবলৈ যিমানেই সুন্দৰ নহওক কিয় প্ৰকৃততে এইখন সংসাৰখন সিমানেই জটিল। আৰু এই সংসাৰত জটিলতা সৃষ্টি কৰা প্ৰাণীবোৰে হলো আমি। অৰ্থাৎ আমাৰ মাজৰ এচাম মানুহবোৰৰ জৰিয়তে সংসাৰখন ইমান সুন্দৰ হৈ আছে আৰু আনহাতে আমাৰ মাজৰে এচাম মানুহবোৰৰ জৰিয়তে সংসাৰখনৰ জটিলতা দিন প্ৰতিদিনে বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। এই সংসাৰত অহাৰ পিছত আপোনালোকে হয়তো এটা কথা বৰকৈ লক্ষ্য কৰিবলৈ সক্ষম হৈছে যে, আমি জীৱনত পৰিশ্ৰম কৰি থকা সময়ত অতিকম সংখ্যক মানুহে আহি আমাক আগুৱাই যাবলৈ উৎসাহ, প্ৰেৰণা প্ৰদান কৰাৰ লগতে বহু কম সংখ্যক মানুহে আহি শাৰীৰিক বা আৰ্থিক সাহায্য প্ৰদান কৰা দেখা যায়। কিন্তু আমি যেতিয়া নিজ পৰিশ্ৰমৰ জৰিয়তে লাহে লাহে সফলতা অৰ্জন কৰিবলৈ সক্ষম হওঁ বা এজন সফল ব্যক্তিত্বলৈ ৰূপান্তৰিত হওঁ ঠিক তেতিয়া একেবাৰে অচিনাকী ব্যক্তি সমূহেওঁ আহি আপোনাৰ লগত সম্বন্ধ, সম্পৰ্ক বিচাৰি বিচাৰি ওলিয়াই আপোনাৰ একেবাৰে প্ৰিয় মানুহৰ শাৰীত পৰিব বিচাৰে। ধৰি ললো পৰিয়ালৰ ভিতৰত আপুনি যদি একেবাৰে বহু গৰিব সদস্য হয় তেন্তে পৰিয়ালৰ অন্যান্য সদস্য সমূহে আমাৰ সম্পৰ্কীয় মানুহ হয় বুলি অন্যান্য মানুহবোৰৰ আগত আপোনাৰ চিনাকি দিবলৈও লজ্জিত হৈ পৰে। আৰু যদি কিবা কাৰণ বসত সেই একেবাৰে গৰিব ব্যক্তিজনে নিজৰ পৰিশ্ৰমৰ বলত পৰিয়ালৰ অন্যান্য সদস্য সমূহতকৈ অধিক ওপৰত উঠিবলৈ সক্ষম হয় তেন্তে তেনেধৰণৰ ক্ষেত্ৰত পৰিয়ালৰ সকলোবোৰ সদস্য আপোনাৰ লগতে ঠিয় দিয়াৰ লগে লগে অচিনাকী বাহিৰৰ ব্যক্তিসকলেওঁ আহি আপোনাৰ লগত ঠিয় হ'বলৈ ইচ্ছা প্ৰকাশ কৰে। অৰ্থাৎ সংঘৰ্ষত কোনো নাথাকে কিন্তু সফলতাত পিছ পৰি আছে । মই জানো যে মোৰ ওপৰোক্ত আলোচনাৰ বিষয়বস্তুত কোনো নতুনত্ব বিচাৰি নাপাই। কিয়নো জগতৰ প্ৰত্যেকজন ব্যক্তিয়ে এই সমস্যাৰ জৰিয়তে ভুক্তভোগী নহয়নে ? তথাপিও মই আপোনালোকক এটা কথাই স্পষ্ট ৰূপত কবলৈ ইচ্ছা প্ৰকাশ কৰিছোঁ যে, বেয়া দিশত গতি কৰা ব্যক্তিসকলক সৎ পথ প্ৰদৰ্শন কৰাৰ আমাৰ প্ৰধান কৰ্তব্য হোৱাৰ লগে লগে সত্যৰ মাৰ্গৰ জৰিয়তে জীৱন সংগ্ৰামত অৱতীৰ্ণ হ'বলৈ ইচ্ছা প্ৰকাশ কৰা প্ৰতিজন ব্যক্তিকে নিজৰ সামৰ্থ অনুযায়ী হাতত হাত ধৰি ওপৰলৈ উঠাই আনাৰো আমাৰে কৰ্তব্য বুলি বিবেচনা কৰিব লাগে। পৰাপক্ষত ক্ষমতাসম্পন্ন ব্যক্তিসকলে সৎ মাৰ্গত গতি কৰা ব্যক্তিসকলক সফলতাৰ পিছত নহয় জীৱন সংঘৰ্ষৰ আৰম্ভণিৰ সময়ত সহায়ৰ হাত আগবঢ়ায় দিয়ক। কাৰণ আমাৰ ৰাষ্ট্ৰ, ৰাজ্য বা আমি বসবাস কৰা সমাজ হুবহু এখনি ফুলনিৰ বাগিচা। যত দুই, এটা ফুল সুন্দৰভাৱে ফুলি উঠি বাকী ফুলবোৰ শুকাই যোৱাটো দেখিবলৈ বেছি ভাল লাগিবনে সকলোবোৰ ৰং বিৰংঙৰ ফুল একেলগে জকমক কৰি ফুলিলে দেখিবলৈ বেছি ভাল লাগিব। এতিয়া আপোনালোকে নিজে নিৰ্ণয় কৰক কেৱল সফলতাৰ সময়তে সহযোগ কৰিবলৈ ওলাই আহিব নে এজন মানুহে সংঘৰ্ষ কৰাৰ সময়তো কান্ধত কান্ধ ধৰি ঠিয় দিবলৈ ইচ্ছা প্ৰকাশ কৰিব।

# কুঁৱলীত আচ্ছাদিত জোনটি

নাছিৰ আহমেদ ,শিমলাবাৰী, গোৱালপাৰা



কুঁৱলীত আচ্ছাদিত জোনটি
আকাশখনে মেলি দিছে শেঁতাপৰা মুখনি
একুৰা জুইত সেকি ললো কলিজাটি ।
দুৰৈৰ পাহাৰত বাজি উঠে বিষাদৰ বাঁহীটি,
মধুসুদন দত্তৰ আখলত পোৱা গৰৈ মাছৰ গোন্ধত
ঠেঁটুৰে লগা জাৰত এজাক শিশুৰ মুখত বোবা ক্ৰন্দন !
কুঁৱলীত আচ্ছাদিত জোনটি
শুষ্ক তৰুৰ জীৰ্ণ পত্ৰত নিয়ৰ -চকুলো সৰি সৰি পৰে ।
পাট গাভৰু শেৱালিৰ ফটা-চিঙা ওখ গৰাত
ৰুদ্ধ স্ৰোতৰ এক উন্মাদপ্ৰায় নদীৰ মুক্তি-বিহ্বল যন্ত্ৰণা !
অলিয়ে গলিয়ে পৰি আছে জীৱন্মৃত নৰকঙ্কাল ।
জন্মান্ধ ধৃতৰাষ্ট্ৰ অনুভুতি-শূন্য অবিবেচক ৰাষ্ট্ৰ নেতাৰ
বিচাৰৰ তৰ্জুত বান্দৰৰ পিঠা ভগোৱা কৃত্ৰিম বুদ্ধিমত্তা !
কুঁৱলীত আচ্ছাদিত জোনটি
আকাশখনে মেলি দিছে শেঁতাপৰা মুখনি
বুকুৰ আধাপোৱা ৰুটিটি তেজেৰে তুমুৰলি হ'ল।
আলীৰ পুখুৰীত ভৰি পৰিল সাম্প্ৰদায়িকতাৰ বীজ
ৰাম-ৰহিমৰ উপাসনা গৃহ কেৱল বিভেদৰ মন্ত্ৰণালয় !
এতিয়া আল্লাহ-ঈশ্বৰ-গডেও হ'ল কাৰাগাৰত বন্দী !
কুঁৱলীত আচ্ছাদিত জোনটি
হিংসাত্মক ঘটনাৰ ধুম্ৰজালত খণ্ড-বিখণ্ড হৈ
কালৰ গতিত অনুৰ্বৰ মালভূমিত অধুনালুপ্ত হ'ল!!

# অসমত ১১খন আসনত

শইকীয়াই প্ৰাৰ্থিত্বৰ বাবে আবেদন কৰা নাই। কিন্তু দলৰ অনুগত সদস্য হিচাপে শীৰ্ষ নেতৃত্বই শইকীয়াক প্ৰাৰ্থিত্ব দিলে সকলোৱে মানি ল'ব। সভাপতি বৰাই নিজৰ প্ৰাৰ্থিত্বৰ প্ৰসংগত কয় যে আবেদনসমূহ যিহেতু প্ৰদেশ কংগ্ৰেছৰ সভাপতিক সম্বোধন কৰি দাখিল কৰিছে, এনে অৱস্থাত তেওঁ নিজৰ আবেদনখন কেনেকৈ দাখিল কৰিব? হাইকমাণ্ডে যদি তেওঁক প্ৰাৰ্থিত্ব দিয়ে, তেতিয়া বেলেগ কথা। ইফালে ইণ্ডিয়া জোঁট বন্ধনৰ সৈতে তৃণমূল কংগ্ৰেছ, আপৰ আসন বুজাবুজিক লৈ হোৱা সংঘাতৰ পৰিপ্ৰেক্ষিতত বৰাই কয় যে ৰাষ্ট্ৰীয় পৰ্যায়ত কংগ্ৰেছ আৰু তৃণমূল কংগ্ৰেছৰ মাজত বুজাবুজি নহ'লে ইয়াত তেওঁ আৰু ৰিপুণ বৰাই বুজাবুজি কৰি লাভ নাই। একেই অৱস্থা আপৰ ক্ষেত্ৰতো হ'ব। সভাপতি বৰাই ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত তৃণমূল কংগ্ৰেছ আৰু আপ ইণ্ডিয়া জোঁটবন্ধনত নাথাকিলে অসমতো দল দুটাৰ সৈতে আসন বুজাপৰা নহয় বুলি একপ্ৰকাৰ স্পষ্ট কৰি দিয়ে।

# নাজিৰা মহকুমা প্ৰশাসনৰ

সফল ৰূপায়ণৰ বাবে জনসাধাৰণৰ পূৰ্ণ সহযোগিতা কামনা কৰে। তেওঁ মহকুমাতোৰ শিক্ষা, স্বাস্থ্য, গ্ৰামোন্নয়ণ, কৃষি তথা ইয়াৰ সহযোগী খণ্ড, শক্তি, পথ- যোগাযোগ, জনস্বাস্থ্য কাৰিকৰী, নগৰ উন্নয়ন আদি বিভাগৰ অধীনস্থ আঁচনি সমূহৰ দ্ৰুত আৰু ফলপ্ৰসূ ৰূপায়ণৰ ক্ষেত্ৰত মহকুমা প্ৰশাসনে অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে বুলি উল্লেখ কৰে। গণৰাজ্য দিৱস উপলক্ষে আয়োজিত পেৰেডত নাজিৰা ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ে প্ৰথম, দিল্লী পাব্লিক স্কুল এন. চি.চি দলে দ্বিতীয় আৰু নাজিৰা মহাবিদ্যালয়ে তৃতীয় পুৰস্কাৰ লাভ কৰে। তদুপৰি, গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাৰ বিজয়ী সকলকো পুৰস্কৃত কৰা হয়। উল্লেখ্য যে, গণৰাজ্য দিৱস উপলক্ষে পুৱা ৫ বজাৰ পৰা ৬ বজালৈ প্ৰভাত ফেৰী আৰু দেশপ্ৰেমমূলক গীত-মাত প্ৰচাৰ, পুৱা ৭ বজাত নিজ নিজ বাসগৃহত ৰাষ্ট্ৰীয় পতাকা উত্তোলন, পুৱা ৭-৩০ বজাত সকলো শিক্ষানুষ্ঠান, চৰকাৰী, বে-চৰকাৰী, অৰ্ধ-চৰকাৰী কাৰ্য্যালয়ত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰা হয়। উল্লেখযোগ্য যে, এইবাৰৰ গণৰাজ্য দিৱসৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা বাৰেৰহনীয়া সাংস্কৃতিক অনুষ্ঠানে সকলোকে আকৰ্ষণ কৰিবলৈ সক্ষম হয়। সাংস্কৃতিক অনুষ্ঠানত সত্ৰীয়া, তিৱা লোক নৃত্য, নিৰ্বাচন সম্বন্ধীয় সজাগতামূলক নাট, ঝুমুৰ, সাত ভনী নৃত্য আদি প্ৰদৰ্শন কৰা হয়। তদুপৰি, অনুষ্ঠানত নাজিৰা মহকুমা অন্তৰ্গত বিভিন্ন ক্ষেত্ৰত পাৰদৰ্শিতা প্ৰদৰ্শন কৰা মুঠ চৰ গৰাকী ব্যক্তিক মহকুমা প্ৰশাসনৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। ইয়াৰ পাছতে শিমলুগুৰি বৃদ্ধাশ্ৰমত, গেলেকীস্থিত "জ্যোতি গৃহ"ত প্ৰশাসনৰ তৰফৰ পৰা অত্যাৱশ্যকীয় সামগ্ৰী আৰু লিগিৰী পুখুৰীস্থিত কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহকুমা চিকিৎসালয়ত ফল - মূল বিতৰণ কৰা হয়। গণৰাজ্য দিৱসৰ মূল কাৰ্যসূচীত নাজিৰা বিধান সভা সমষ্টিৰ বিধায়ক দেৱব্ৰত শইকীয়া মহকুমা প্ৰশাসনৰ বিভিন্ন বিভাগৰ শীৰ্ষ বিষয়া সকল, কৰ্মচাৰী সকল, আৰক্ষী প্ৰশাসন, সাধাৰণ নাগৰিক তথা নাজিৰাৰ ছপা আৰু বৈদ্যুতিন মাধ্যমৰ সংবাদ কৰ্মীসকল উপস্থিত থাকে। অনুষ্ঠানৰ অন্তত মহকুমাবাসী ৰাইজে যি ধৰণে প্ৰশাসনক সঁহাৰি জনালে তাৰ বাবে সমূহ ৰাইজক মহকুমাধিপতি আয়ুষী জৈনে কৃতজ্ঞতা জ্ঞাপন কৰে।

# নেতাজী সুভাষ চন্দ্ৰ বসুৰ জন্ম দিন

প্ৰাক্তন ৰাজ্যিক সভাপতি জিতেন্দ্ৰ চলিহাই আৰু সংগঠনৰ গুৱাহাটী জিলা কমিটিৰ সদস্যসকলে। অনুষ্ঠানত অংশগ্ৰহণ কৰি জিতেন্দ্ৰ চলিহাই ছাত্ৰ ছাত্ৰী আগত নেতাজীৰ বিৰল দেশপ্ৰেমিক চৰিত্ৰৰ বিভিন্ন দিশ বাখ্যা কৰে। সাম্প্ৰতিক সময়ত দেশৰ কঠিন ৰাজনৈতিক, অৰ্থনৈতিক আৰু সামাজিক পৰিস্থিতিৰ প্ৰেক্ষাপটত চৰকাৰী পৃষ্ঠপোষকতাত দেশৰ অভ্যন্তৰত চলি থকা সাম্প্ৰদায়িক বিভাজন প্ৰতিহত কৰিবলৈ নেতাজীক যথাযথভাৱে চৰ্চাৰ কৰাৰ বাবে তেওঁ আহ্বান জনায়। এ আই ডি এছ অ', এ আই এম এছ এছ'ৰ নগাঁও জিলাৰ পক্ষৰ পৰা আয়োজিত নেতাজী সুভাষচন্দ্ৰ বসুৰ জন্ম দিৱস উদযাপনৰ কাৰ্যসূচীত উপস্থিত থাকি এ আই ডি এছ অ'ৰ ৰাজ্যিক সভাপতি প্ৰজ্জোল দেৱে কয় যে নেতাজীয়ে বিচৰা সাম্যৰ ভিত্তিত গঢ়ি উঠা শোষণহীন স্বাধীনতা ভাৰতবৰ্ষৰ সপোন আজিও অপূৰিত। এই অপূৰিত সপোন পূৰণ কৰাৰ উদ্দেশ্যে সন্মুখত ৰাখি যদি নেতাজী জয়ন্তী উদযাপন কৰো তেতিয়া অনুষ্ঠান সাৰ্থক হৈ উঠিব। অন্যথাই কেৱল আনুষ্ঠানিকতাহে হ'ব। তেওঁ কয় নেতাজীয়ে বিচৰা শোষণহীন সমাজ, সকলোৰে সমান অধিকাৰ থকা ধনী - দুখীয়া নথকা সমাজ, ধৰ্ম নিৰপেক্ষ ভাৰতবৰ্ষ কেৱল যে অপূৰিত হৈছে এনে নহয়, ই সম্পূৰ্ণভাবে ভূলুন্ঠিত হৈছে। স্বাধীনতাৰ পাছত দেশৰ সম্পদৰ সিংহভাগ দেশৰ শাসক পুঁজিপতি গোষ্ঠীয়ে আত্মসাৎ কৰি প্ৰতিদিন দুখীয়া সাধাৰণ মানুহৰ ওপৰত নিৰ্মম শোষণৰ ষ্টিমৰোলাৰ চলাইছে। আজি উন্নত নীতি নৈতিকতাৰ আধাৰত ছাত্ৰ আন্দোলন গঢ়ি তুলিবলৈ হ'লে নেতাজী সুভাষচন্দ্ৰ বসুৰ জীৱন সংগ্ৰামক পাথেয় হিচাপে লৈ আগবাঢ়িব লাগিব বুলি তেওঁ দৃঢ় অভিমত ব্যক্ত কৰে।

# কংগ্ৰেছ দলৰ প্ৰাক্তন সাংসদ

বিচাৰিছো নেকি? অসমত ব্ৰাহ্মণবাদ নচলিব শঙ্কৰী চলিব। অপসংস্কৃতিৰ প্ৰয়োভৱে ব্ৰাহ্মণবাদ প্ৰতিষ্ঠাৰ চেষ্টা চলাইছে। পূজামানে শান্ত, শিষ্ট, নিবিড়ভাৱে কৰা হয়। ভগৱান শান্তিৰ প্ৰতীক। ভগৱানে নীৰৱতা বুজি পায়। কিন্তু ৰাম পূজাৰ নামত উদ্ভণ্ডালি চলিছে। মুখ্যমন্ত্ৰীয়ে এইবোৰ দেখা নাই ? আৰক্ষীয়ে দেখা নাই ? মুখ্যমন্ত্ৰীয়ে জাত পাতৰ কথা কৈ মুখ্যমন্ত্ৰীৰ পদৰ পদমৰ্য্যাদা হানি কৰিছে। অসমীয়া মানুহৰ সম্পৰ্কত ভুল ধাৰণাৰ সৃষ্টি কৰিলে সাধাৰণ মানুহে ছমাহ জে'ললৈ যাব বুলি ভয় খায় কথা কবলৈ এৰিছে । আমি প্ৰতিবাদ কৰিম । প্ৰতিবাদ কৰিবলৈ ভয় নকৰোঁ । মানুহৰ সমৰ্থনত যেনেকৈ আহিছো মানুহৰ সমৰ্থনতে গুচি যাব লাগিব। প্ৰত্যেকজন মানুহৰে গণতন্ত্ৰক সৱল কৰাৰ দায়িত্ব আছে। গণতন্ত্ৰত শাসন নিকা হ'ব লাগে। কা আন্দোলনত ৫ জনক গুলীয়াই মাৰিলে। সন্ত্ৰাসিত কৰি, গুলিৰ ভয় দেখুৱাই মানুহক কিমান দিন বন্ধ কৰি থ'ব। এতিয়া আমাৰ পৰামৰ্শ দিয়া সময়। গণতন্ত্ৰক ৰক্ষাত, অসমীয়া মানুহক এক কৰি ৰখাৰ। অসমতে একমাত্ৰ ঠাই য'ত, কোনো ধৰণৰ জাতি ভেদ প্ৰথা নাই। সকলো এক। নিজৰ লণ্ডনডালৰ মৰ্যদা ৰখা উচিত। মুখ্যমন্ত্ৰীক তেওঁ দেওৰ লগত তুলনা কৰিছে। দেওৰ পৰা আমাক সচেতন কৰিবলৈ এক বাৰ্তা দিলোঁ। এইবাৰ সহজ যুঁজ নহয়। যদি নৰেন্দ্ৰ মোদীয়ে আঁতৰাই নিদিয়ে তেন্তে এইজন মুখ্যমন্ত্ৰীৰ সৈতে ২০২৬ চনত আমি ভালকৈ এসাঁজ খাম। ৰাজ্যিক ৰাজনীতিত অসমত পৰিৱৰ্তনৰ বাবে কাম কৰিম। আন্দোলন কৰিবলৈ আমি ওলাই আহিম অসমত ব্ৰাহ্মণ্যবাদৰ প্ৰাধান্যতা চলিবলৈ দিয়া নহ'ব। গীতাত ব্ৰাহ্মণ আৰু ক্ষত্ৰিয়ক শাসন কৰিব দিয়া হৈছে বুলি কয়। কংগ্ৰেছৰ সাংগঠনিক ভেটি আৰু কটকটীয়া কৰিব লাগিব । আমি পৰামৰ্শ দিম। তেওঁ সংবাদ মেলত নিৰ্বাচনত অৱতীৰ্ণ ন'হ'ও বুলিও প্ৰকাশ কৰে।

# বিজেপিলৈ প্ৰাক্তন মন্ত্ৰী

বিস্মিতা গগৈয়ে। আনহাতে বিস্মিতা গগৈৰ লগতে বিজেপিত যোগদান কৰিব সদ্য অপসাৰিত প্ৰদেশ যুৱ কংগ্ৰেছৰ সভানেত্ৰী তথা প্ৰয়াত প্ৰাক্তন কংগ্ৰেছী মন্ত্ৰী অঞ্জন দত্তৰ কন্যা অংকিতা দত্তই। ৰাজ্যিক বিজেপিৰ সভাপতি ভবেশ কলিতাই এই কথা আনুষ্ঠানিকভাৱে সংবাদ মাধ্যমক জনায়। বশিষ্ঠস্থিত ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত সাংবাদিকৰ সৈতে হোৱা বাৰ্তালাপত সভাপতি ভবেশ কলিতাই প্ৰকাশ কৰা মতে, এই দুয়োগৰাকী নেত্ৰীৰ লগতে কংগ্ৰেছত যোগদান কৰিব আছুৰ প্ৰাক্তন সভাপতি দীপাংক নাথ, প্ৰাক্তন উপদেষ্টা প্ৰকাশ দাস, কামৰূপ জিলা আছুৰ প্ৰাক্তন উপদেষ্টা হেমন্ত দাস, অসম জাতীয় পৰিষদৰ প্ৰাক্তন নেতা চিত্তৰঞ্জন বসুমতাৰী, ছিপাঝাৰ সমষ্টিৰ ২০২১ চনৰ নিৰ্বাচনৰ কংগ্ৰেছী প্ৰাৰ্থী কুলদীপ বৰুৱা, প্ৰাক্তন আছু নেতা তথা বঙাইগাঁও জিলা কংগ্ৰেছৰ নেতা শংকৰ প্ৰসাদ ৰায়ৰ লগতে বিজেপিক আঁকোৱালি ল'ব ৰঙিয়াৰ এগৰাকী পঞ্চায়ত সভাপতি গিয়াছুদ্দিন আহমেদে। ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীয়ে প্ৰকাশ কৰা মতে, এই উপলক্ষে বিজেপিৰ মুখ্য কাৰ্যালয়ত অনুষ্ঠিত কৰা হ'ব এক বৃহৎ যোগদান কাৰ্যসূচী। এই অনুষ্ঠানতে এওঁলোকে বিজেপিত আনুষ্ঠানিকভাৱে যোগদান কৰিব। ইফালে আপৰ প্ৰাক্তন নেতা কমল কুমাৰ মেধিও বিজেপিত যোগদান কৰিব বুলি চৰ্চাৰ সৃষ্টি হৈছিল যদিও ৰাজ্যিক বিজেপিৰ সভাপতিগৰাকীয়ে প্ৰকাশ কৰা মতে, এতিয়ালৈ কমল কুমাৰ মেধিৰ যোগদান সন্দৰ্ভত দলৰ ওচৰত কোনো তথ্য নাই। দৰাচলতে ৰাহুল গান্ধীৰ নেতৃত্বত ভাৰত জোড়ো-ন্যায় যাত্ৰাৰ সময়তে বহু কংগ্ৰেছীয়ে দলৰ ওচৰত ন্যায় বিচাৰিব লগা হ'ল। এয়া এক ডাঙৰ বিষয়। দৰাচলতে কংগ্ৰেছৰ এয়া অন্যায় যাত্ৰাহে আছিল। দলৰ ভিতৰতে চলা অন্যায়ৰ বাবে এই যাত্ৰা সামৰণিৰ পিছতেই একাংশই বিতৃষ্ট হৈ বিজেপিলৈ ঢাপলি মেলিছে। ইফালে বিস্মিতা গগৈৰ বিজেপি যোগদানে বৰ্তমান খুমটাই সমষ্টিৰ বিজেপি বিধায়ক মৃণাল শইকীয়াৰ ৰাজনৈতিক ভৱিষ্যৎ সংকটত পেলাব নেকি উত্থাপিত প্ৰশ্ন সন্দৰ্ভত ভবেশ কলিতাৰ মন্তব্য- বিস্মিতা গগৈৰ আগমনে মৃণাল শইকীয়াৰ কোনো ক্ষতি নকৰে। ৰাজ্যিক বিজেপিত এই নেতাসকলৰ যোগদান কেৱল দলৰ হৈ কাম কৰা। দলে কাক কেতিয়া কি দায়িত্ব দিয়ে, সেয়া কোনেও আগতীয়াকৈ অনুমান কৰিব নোৱাৰে।

# ভূপেন বৰাক আক্ৰমণৰ

ভূমিকা সেয়াই প্ৰমাণ কৰিছে যে, এই গোটেই ঘটনাটো ইচ্ছা প্ৰনোদিত। আমি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পদত্যাগৰ দাবী জনাইছো। তেওঁৰ দৰে ব্যৰ্থ মুখ্যমন্ত্ৰীৰ অসমত কোনো প্ৰয়োজন নাই। বিজেপিৰ এনে আচৰণৰ বিৰুদ্ধে সমূহ অসমবাসী ৰাইজত একত্ৰিত ভাৱে উলাই আহিবলৈ আহ্বান জনাইছোঁ আৰু লগতে অনতিবিলম্বে দোষীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ বাবে আৰক্ষী-প্ৰশাসনক দাবী জনাইছোঁ।"

# যোগ প্ৰদৰ্শন, জুম্বা

চিক্তাদেৰ ক'ৰ লগতে যোগ সংগঠক, যোগ প্ৰচাৰক আৰু যোগ সাধনা বটা বিজয়ী ধনঞ্জয় তালুকদাৰ আদি ব্যক্তিসকল উপস্থিত থাকে । অনুষ্ঠানত ৬৬ সংখ্যক ৰাষ্ট্ৰীয় স্কুল গেমছ যোগাসন প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰা খেলুৱৈ উদিতা ৰাণী বৰা, চিবিএছই আন্তঃবিদ্যালয় ৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতাত ব্ৰঞ্জৰ পদক লাভ কৰা কুঁহি ডেকা আৰু ৫২ সংখ্যক কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ আন্তঃবিদ্যালয় ৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতাত ৰূপৰ পদক লাভ কৰা হৰ্ষিত কোঁৱৰ বৰাক বিশেষ কৃতিত্বৰ বাবে মানপত্ৰ আৰু মোমেন্টৰে সম্বৰ্ধনা জনোৱা হয় । ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ ১৭ গৰাকী যোগবিদ, যোগ সংগঠক আৰু যোগ প্ৰচাৰকক যোগ উৎকৰ্ষ সাধনৰ বাবে কৰা বিশেষ সেৱাৰ স্বীকৃতি স্বৰূপে স্বামী শিৱানন্দ সৰস্বতী যোগ প্ৰেৰণা বটা, যোগ প্ৰচাৰক, যোগ সংগঠক, যোগ পাৰদৰ্শী, যোগ ভাস্কৰ, যোগ অলংকাৰ, যোগ সম্ৰাট, যোগ সাধক, যোগ সেৱক, যোগ প্ৰাচুৰ্য্য, যোগ বিভূতি, যোগ উৎকৰ্ষ, যোগ জ্যোতি আদি শীৰ্ষক বটাৰে বিভুষিত কৰা হয় । যোগবিদ দিব্যজ্যোতি ডেকা আৰু অৰুন্ধতী তালুকদাৰে আঁত ধৰা সামৰণি অনুষ্ঠান মংগলচৰণেৰে শুভাৰম্ভ হৈ সমূহীয়া শান্তি মন্ত্ৰেৰে সফল সামৰণি পৰে ।

## ENGLISH NEWS SECTION

# Raj Bhavan Assam celebrates State Day of Uttar Pradesh




Guwahati, RB News: To take national unity to a greater height, Raj Bhavan Assam under the leadership and presence of Governor Shri Gulab Chand Kataria, celebrated the state day of Uttar Pradesh at GMCH auditorium yesterday. It may be noted that as a part of the Central Government's decision to celebrate the state days of different states in the Raj Bhavans across the country, Raj Bhavan Assam celebrated the state day of Uttar Pradesh. Speaking on the occasion, Governor Shri Kataria said, "It is a matter of pleasure for us that Assam has started a healthy tradition of celebrating the state day of all the states. As we celebrate the State Day of Uttar Pradesh, let us all rejoice and reiterate our firm resolve to strengthen our mutual friendship and strengthen the foundation of Ek Bharat Shrestha Bharat." Shri Kataria also congratulated the residents of UP living in UP and elsewhere on the occasion of Statehood. He said that the purpose of this programme celebrated in Assam is to strengthen the bond between the local people of Assam and those who have come from Uttar Pradesh. He also said that the bond of friendship would be strengthened through such programs. Besides, it would also facilitate cultural exchanges between UP and other territorial regions of the country. Governor Kataria along with the other dignitaries also paid floral tributes to the state icons and state legends those who fought hard to build their state. Minister for the Department of Housing & Urban Affairs and Irrigation, Govt. of Assam Ashok Singhal also delivered his speech on the occasion. He spoke on the age old friendship and camaraderie between Assam and UP.

# Assam Governor administers oath to APSC members



Guwahati, RB News: Assam Governor Shri Gulab Chand Kataria administered the oath of office to Major General (Retd) Bhaskar Kalita and Shri Deboraj Upadhay, IPS(Retd.) as new members of the Assam Public Service Commission (APSC) at a function held in the conference Hall of Raj Bhavan. Earlier, Chief Secretary to the Govt. of Assam Paban Kumar Borthakur sought the permission of the Governor to start the proceedings of the ceremony. The ceremony was attended among others by Chairman of APSC Bharat Bhushan Dev Choudhury, members and other functionaries of APSC, senior officers of State government and family members of the newly inducted functionaries.

# Governor attends 14th National Voters Day




Guwahati, RB News: Assam Governor Shri Gulab Chand Kataria attended the 14th National Voters' Day organized by the Office of the Chief Electoral Officer, Assam in collaboration with the Office of the District Election Officer, Kamrup (M) at ITA, Machkhown in the city here. Speaking on the occasion, Governor Shri Kataria addressing the first time voters, said that voters are the foundation of India's democracy. He said that their votes constitute the core principle of democracy. Acknowledging the immense power of voters, he highlighted their ability to shape the nation's destiny by electing the right individuals. Praising the Election Commission, the governor highlighted its crucial role in upholding Indian democracy through transparent, impartial, and independent electoral processes. Underscoring the significance of voting, he stressed that every citizen can exert their through their vote. The governor said voting allows individuals to choose their government and contribute to the nation's progress. The Governor, particularly referring to the first time voters, said that the nation's prosperity hinges on everyone's active participation in the electoral process. The Governor emphasized that the voters' sense of duty which reflects through exercising their franchise is vital for shaping the country.

# Bopanna becomes 2nd Indian to win Aus Open men's doubles title



RB News: Rohan Bopanna and his Australian partner Matthew Ebden defeated Italian pair of Simone Bolelli and Andrea Vavassori 7-6(7-0), 7-5 to win Australian Open 2024 men's doubles title. With this, Bopanna became the second Indian after Leander Paes in 2012 to win the Australian Open men's doubles title. Bopanna and Ebden would get prize money of AU$365,000 (around 2 crore) each.

# Aryna Sabalenka beats Qinwen Zheng to win Aus Open 2024



RB News:Belarusian tennis star Aryna Sabalenka on defeated China's Qinwen Zheng in straight sets to defend her Australian Open title at Melbourne Park. The world No. 2 won 6-3, 6-2 against her opponent to clinch her 2nd Grand Slam title at Rod Laver Arena and take home Daphne Akhurst Memorial Cup trophy for the second year in a row.

# দৰঙী লোকশিল্পী দ্ৰোণ ভূঞাৰ্লৈ পদ্মশ্ৰী

ৰঙিলী বাৰ্ত্তাসেৱা- দৰঙী কলাকৃষ্টিৰ আজীৱন সাধক, লোকশিল্পী ছিপাঝাৰৰ সাতঘৰীয়া গাঁও নিৱাসী দ্ৰোণ ভূএগালৈ আগবঢ়াইছে ভাৰত চৰকাৰৰ ৰাষ্ট্ৰীয় পদ্মশ্ৰী সন্মান। বিশিষ্ট লোকশিল্পী গৰাকীক পদ্মশ্ৰী সন্মানেৰে বিভূষিত কৰা খবৰে ছিপাঝাৰ-দৰংবাসীক আনন্দিত কৰি তুলিছে। এই গৰাকী লোকশিল্পী দ্ৰোণ ভূএগা লোককৃষ্টিৰ এগৰাকী অন্যতম ধাৰক-বাহক। দৰঙৰ অন্যতম লোককৃষ্টি সুকনানি সংগীত আৰু দেওধনী নৃত্যৰ লোকশিল্পী দ্ৰোণ ভূঞা অসম চৰকাৰৰ এগৰাকী স্বীকৃতিপ্ৰাপ্ত লোককৃষ্টিৰ গুৰু। তেওঁ বিশেষতঃ সুকনানি সংগীত আৰু দেওধনী নৃত্যৰ প্ৰচাৰ-প্ৰসাৰ আৰু সংৰক্ষণত অহৰহ গুৰুত্ব আৰোপ কৰি আহিছে। গৃহজিলা দৰঙকে ধৰি ৰাজ্য কিম্বা ৰাজ্যৰ বাহিৰতো এই কৃষ্টি পৰিবেশন কৰি প্ৰশংসিত হোৱাৰ লগতে গৌৰৱ কঢ়িয়াই আনিছে। ইতিমধ্যে তেওঁ সন্মানীয় অসম গৌৰৱ বঁটা ২০২৩ লাভ কৰাৰ লগতে ২০২১ বৰ্ষত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ পৰা সন্মানীয় বিষ্ণুৰাভা বঁটা লাভ কৰে। অসম চৰকাৰৰ শিল্পী পেঞ্চনাৰ, লোকশিল্পী দ্ৰোণ ভূঞাই কমল মহন্ত সোঁৱৰণী বঁটাকে ধৰি ভালেমান সন্মান লাভ কৰে। স্বাভাৱিকতে লোকশিল্পী গৰাকীৰ পদ্মশ্ৰী সন্মান প্ৰাপ্তিৰ আশাব্যঞ্জক খবৰত আনন্দিত হৈছে ছিপাঝাৰ-দৰংবাসী। লোকশিল্পী গৰাকীক শুভেচ্ছা জ্ঞাপন কৰিছে গৃহজিলা দৰঙৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দল-



সংগঠন, দৰঙী কলাকৃষ্টি উন্নয়ন সংঘ, ছিপাঝাৰ সাহিত্য সভা, দৰং জিলা সাহিত্য সভা, ছিপাঝাৰ শাখা লেখিকা সমাৰোহ সমিতি, জন- জাগৰণ মঞ্চ, ছিপাঝাৰকে ধৰি ব্যক্তি-বিশেষে। উল্লেখ্য যে এই বৰ্ষত আদৰ্শ কৃষক সৰ্বেশ্বৰ বসুমতাৰীৰ লগতে হস্তী বিশেষজ্ঞা পাৰ্বতী বৰুৱা লৈয়ো আগবঢ়োৱা হৈছে সন্মানীয় পদ্মশ্ৰী সন্মান।






ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক শ্ৰীউদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃ ँমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- UDDIPTA NAYAN MEDHI Ph.98542-15286